# তৃতীয় অধ্যায়

# কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসৱ-পাৰ্ৱণ আৰু ধৰ্মৰ সৈতে জড়িত লোকাচাৰ

# তৃতীয় অধ্যায়

# ৩.০০ কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসৱ-পাৰ্ব্বণ আৰু ধৰ্মৰ সৈতে জড়িত লোকাচাৰ

## ৩.০১ কোচ ৰাজবংশীসকলৰ পূজা-পাতলৰ সৈতে জড়িত লোকাচাৰ ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা বিভিন্ন ধৰণৰ পূজা-পাতল পৰম্পৰাগতভাৱে কৰি আহিছে। *"ৰাজবংশীসকলৰ মাজত পূজা-পাৰ্বণ আদি কম নহয়। 'বাৰ মাহত তেৰ পাৰ্বণ' ৰাজবংশী সমাজত বিদ্যমান। ইয়াৰ মূলতে দুটা কাৰণ সক্ৰিয় বুলি ভাবিব পাৰি। প্ৰথমতে, কৃষিকামৰ স্তৰবোৰত এটাৰ পৰা আনটো খেতিলৈকে মাজত সাময়িকভাৱে আজিৰ সময় থাকে। এই আজিৰ সময়ৰ সুযোগতে নানা দেৱ দেৱী পূজা, উৎসৱ, সঙ্গীত, নৃত্য ইত্যাদিৰ কল্পনা তেওঁলোকে কৰিছিল। দ্বিতীয়তে কৃষি কামৰ প্ৰাকৃতিক অনিশ্চয়তা দূৰ কৰাৰ উদ্দেশ্যে কৃষকৰ অসহায় আদিম মানসিকতাই স্বাভাৱিকতে যাদু নিয়ন্ত্ৰিত কৃতৰ আশ্ৰয় গ্ৰহণ কৰিছিল।"*[১]

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিভিন্ন পূজা-পাতল লগত জড়িত বিভিন্ন গীত পদৰো প্ৰচলন আছে। *"ৰাজবংশীসকলৰ পূজা-পাৰ্বণৰ গীতবোৰৰ মাজত ৰাজবংশী লোকসকলৰ ভাষা দেৱ-দেৱীৰ বিষয়ে তেওঁলোকৰ ধাৰণা, বিশ্বাস আদিৰ পৰিচয় পোৱা যায়। কেতিয়াবা তাৰ মাজত অৰ্থনৈতিক পৰিকাঠামোও পৰিস্ফুট হয়। কাহিনীযুক্ত আৰু কেতিয়াবা আংশিক বা বিক্ষিপ্ত সংগীত বোৰত আমি তেওঁলোকৰ সুখ-দুখ, হাঁহি-কান্দোন, পোৱা-নোপাৱাৰ বেদনা, মানুহৰ*

*স্বভাৱ-চৰিত্ৰ, সমাজৰ ৰীতি-নীতি আদিৰ পৰিচয় পাওঁ। সাধাৰণ নিৰক্ষৰ মানুহৰ মাধুৰ্যমণ্ডিত কবি কল্পনাৰো ইঙ্গিত আছে। গীতবোৰত ৰাজবংশীসকলৰ ইহলৌকিক কামনা-বাসনাৰ বিষয়েও আভাস পোৱা যায়। আনহাতে গাওঁলীয়া পৰিবেশত লৌকিক নামবোৰৰ অন্তৰালত বেদ-পুৰাণ-তন্ত্ৰাদিৰ দেৱ-দেবীৰ প্ৰভাৱো লক্ষ্য কৰা যায়।*"[২]

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজৰ প্ৰচলিত স্বকীয় বৈশিষ্ট্যপূৰ্ণ বিভিন্ন পূজা-পাৰ্ব্বণ সমূহ হৈছে- কাৰ্তিকা পূজা, কাচাইখাতী পূজা, হুদুম পূজা, বাঁশ পূজা, মদনকামদেৱ পূজা, গাৰ্জা / গায়া দেও পূজা, মাৰৈ পূজা, লাখৰ ঠাকুৰৰ পূজা, সুবচনী পূজা, সোণাৰায় পূজা, ঠাকুৰাণী পূজা, মাশান পূজা, যাত্ৰা পূজা ইত্যাদি।

## ৩.০১.১ কাতিকা পূজা ঃ

কাতিকা পূজা কোচ-ৰাজবংশী লোকসকলে পালন কৰা উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত অন্যতম। কাতিকা পূজা কোচ-ৰাজবংশীলোকসকলৰ এক নাৰীকেন্দ্ৰিক অনুষ্ঠান। কেৱল নাৰী সমাজৰদ্বাৰা পৰিচালিত কাতিকা পূজাৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ অন্য পূজাতকৈ পৃথক।

কাতিকা পূজা কাতি মাহৰ শেষৰ দিনা পতা হয়। কেতিয়াবা সময় অনুসৰি বা বিশেষ অসুবিধাবশতঃ আঘোণ মাহতো কাতিকা পূজা কৰা হয়। ইয়াক '**নমলা কাতি**' বোলা হয়। বংশবৃদ্ধি আৰু শস্য উৎপাদন এই দুয়োটা বিষয়ৰ সৈতে জড়িত লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়ে কাতিকা পূজা কৰা হয়। কাতিকা পূজা মূলতঃ নাৰীকেন্দ্ৰিক পূজা য'ত পুৰুষ থকাটো নিষেধ। কাতিকা পূজাত কাতিকা দেৱতা বা কাতি ঠাকুৰক আৰাধনা কৰা হয়। কাতিকা পূজা কোচ-ৰাজবংশী লোকসমাজত কেতিয়াবা ৰাজহুৱাভাৱে আৰু কেতিয়াবা ব্যক্তিগতভাৱে অনুষ্ঠিত কৰা হয়। "*কাতি ঠাকুৰ লোক দেৱতা শিৱ আৰু চণ্ডীৰ পুত্ৰ বুলি লোকসমাজত পৰিচিত; শাস্ত্ৰত উল্লেখিত দেৱ-সেনাপতি নহয়। তেওঁ সন্তানদাতা প্ৰজনন দেৱতা হে।*"[৩]

কাতিকা পূজাৰ বাবে প্ৰথমতে প্ৰয়োজন হয় কাতিকা দেৱতাৰ মূৰ্তি বা প্ৰতিমা যিটো সাধাৰণতে মাটি নাইবা কুঁহিলাৰে তৈয়াৰ কৰা হয়। কাতিকা দেৱতাৰ বাহন হ'ল ম'ৰা চৰাই। সেয়ে কাতিকা দেৱতাক ম'ৰা চৰাইৰ পিঠিত বহি থকা দেখা যায়। কেতিয়াবা দুটা কাতিকা ঠাকুৰক একেলগে বহাই পূজা কৰা হয়। তাক '**যোৰা কাতি**' বোলে।

কাতিকা পূজাৰ দিনাখন পোন প্ৰথমে এটা মণ্ডপ সজাই লৈ ভেটি প্ৰস্তুত কৰা হয়। ভেটিৰ চাৰি চুকত চাৰিটা কলগছ পোতা হয় আৰু কলগছৰ মাজৰ অংশবিলাকত কাঁহীবনেৰে ৰছী বনাই ফুটা চাকি আঁৰি দি চাৰিওফালে কলগছত বান্ধি দিয়া হয়। ইয়াৰ লগতে কুঁহিলাৰে বনোৱা 'কদম ফুল' আৰু 'আঠিয়া কল' যোৰ বান্ধি ওলোমাই দিয়া হয়। চাৰিওটা কলগছৰ গুৰিত চাৰিটা ঘটত পানী ভৰাই সেঁন্দুৰৰ ফোঁট দি প্ৰতিটো ঘটৰে মুখত এটাকৈ আমৰ পল্লৱ আৰু সৰু আকৃতিৰ 'তীড় ধেনু' ৰখা হয়। ইয়াৰ উপৰিও ধানৰ সীহ থকা এমুঠি ধানগছ উঘালি আনি কাতি দেৱতাৰ আগফালে আৰু ফলৰ সৈতে ময়না (এবিধ কাঁইটীয়া গছ) গছৰ ঠাৰি এডাল পিছফালে পোতা হয়। তদুপৰি নৈবেদ্য আগবঢ়োৱাৰ লগতে ধূপ, ধূনা, চাকি জ্বলাই দি পূজাৰ সকলোবোৰ উপকৰণ প্ৰস্তুত কৰা হয়। কাতিকা দেৱতাৰ চাৰিওফালে প্ৰদক্ষিণ কৰি নাচিবৰ বাবে খালী ঠাই ৰখা হয়।

কাতিকা পূজা আৰম্ভ হোৱাৰ আগতে কাতিকা ঠাকুৰৰ সন্মুখত আঁঠুলৈ ঢাক বাজনাৰ তালে-তালে বিভিন্ন ধৰণৰ মুদ্ৰা প্ৰদৰ্শন কৰি তামোল পাণ, ধূপ-ধূনা, চাকি আদিৰে কাতিকা ঠাকুৰক বৰণ কৰা হয়। এইখিনিতে উল্লেখযোগ্য যে যিসকল সন্তানহীনা নাৰীয়ে সন্তান কামনা কৰি কাতিকা দেৱতাৰ ওচৰত 'মানস' কৰে তেওঁলোকে পূজাৰ আগদিনা ৰাতি 'হবিচ' খাব লাগে। পূজাৰ দিনাখন উপবাসে থাকিব লাগে। ৰাতি পূজাৰ সময়ত তেওঁলোকে কাতিকা ঠাকুৰক সেৱা জনাই মূৰৰ ওপৰত কাঁহৰ কাঁহীত জলন্ত চাকি লৈ প্ৰথমাৱস্থাত মণ্ডপৰ সন্মুখত বহি থাকে আৰু মুখিয়াল তিৰোতা এগৰাকীয়ে তেওঁলোকৰ হৈ সন্তান কামনা পূৰ্ণ কৰিবলৈ কাতিকা দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনায়। পৰৱৰ্তী সময়ত কাতিকা ঠাকুৰৰ চাৰিওফালে প্ৰদক্ষিণ কৰি নাচে। পূজাথলীত একগোট হোৱা আন আন তিৰোতাসকলেও কাতিকা ঠাকুৰৰ জন্ম বৃত্তান্তৰ পৰা আৰম্ভ কৰি সকলো বিৱৰণ যেনে- শিব, চণ্ডীৰ বিয়া, সতীৰ প্ৰথম ৰজোদৰ্শন, ঋতুস্নান, গৰ্ভধাৰণ আৰু অৱশেষত সন্তান প্ৰসৱৰ বৰ্ণনা আদি পুঃখানুপংখভাৱে অতি সুন্দৰৰূপত গীতৰ মাজেৰে উপস্থাপন কৰে। গীতৰ মাজে মাজে কৌতুক অভিনয়ো কৰি থাকে। কিছুমান বয়সিয়াল তিৰোতাই পুৰুষৰ দৰে সাজ-পোছাক পৰিধান কৰি দাড়ি-মোছ লগাই বিভিন্ন অংগী ভংগীৰে ৰং তামছা কৰে আৰু এনেদৰে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

কাতিকা পূজাৰ বিশিষ্ট অংগ হৈছে ইয়াৰ গীত-পদসমূহ। এই গীত-পদসমূহে কাতিকা পূজাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনেবোৰ গীতৰ কিছু নিদৰ্শন তলত আগবঢ়োৱা হ'ল-

কাতিকাৰ জন্ম খণ্ড আৰম্ভ হয় 'হেমেল' অৰ্থ্যাৎ হিমালয় ৰজাৰ পত্নী মেনকাৰ গৰ্ভত পাৰ্বতীৰ জন্মৰে পৰা কাৰ্তিক সিজ্জন আৰম্ভ হৈছে-

*"হেমেল ৰাজা বসিয়া আছে হেমেন পৰ্বতে*

*হেমেল ৰাজ বাপ চণ্ডীৰ মেনকা মাও।*

*মেনকাৰ উদৰে চণ্ডী মাওৰ জন্ম*

*দাঁত ভাঙিল চণ্ডীৰ চুলিও আসিল।*

*এক দুই কৰিয়া চণ্ডীৰ হইলো কন্যাকাল।।*

*উলুলু ............. উলুলু ................ উলুলু।*

**বিয়াৰ দিন বাৰ চোৱাৰ পিছত নাৰদক ঘটকালীৰ কাৰণে পঠিয়াই ছে-**

*কতেক দূৰ যেইতে নাৰদ কতেক দূৰ গেইল*

*যায়া পৌছিল নাৰদ হেমেল ৰাজাৰ বাৰী*

*তোক বলুং হেমেন ৰাজা শুনেক মোৰ কথা*

*তোমাৰ ঘৰে যুবা নাৰী নিৰীক্ষণ আসিছে দুই ফুল ধৰিয়া।*

*একশ ছয় কুৰি টাকা দেন বইল গনিয়া*

*তোমাৰ বেটিৰ সউগ দেন বা ছিণ্ডিয়া*

*উলুলু ............. উলুলু........... উলুলু।"*[৪]

**শিব-পাৰ্বতী বিয়াৰ পিছত কাৰ্তিকৰ জন্ম বৰ্ণনা-**

*"হাঠু জলত নামি চণ্ডী, হাঠু কইল্লো শুধ।*

*কমৰ জলত চণ্ডী কমৰ কইল্লো শুধ।।*

*হিয়ে জলত নামিল চণ্ডী, দিলো পাৰত ডুব।*

*কুঘাটে নামিয়া চণ্ডী সুঘাটে উঠিলো।।*

*..........................................................*

*..........................................................*

*এক মাস হউলো ছেলে ৰক্তে গোলা বান্ধে।*

*দুই মাস হইলো চণ্ডীৰ স্বামী জানিতে পাইলো।।*

*তিন মাস হইলো চণ্ডীৰ শাশুৰী জানিলো।*

*পাঁচ মাস হইলো পৰশী জানিলো।*

*ছয় মাস হইলো পুত্ৰ ছয় ছৰত ঘটিলো।*

*সাত মাস হইলো চণ্ডীৰ এস্বাদ খোয়াইলো।*

*আলচাউল গাখীৰ দুধ এস্বাদ খোয়াইলো।*

*আঠমাস হইলো চণ্ডী চলিতে নাপাৰে।*

*নয় মাস হইলো পুত্ৰ ওলট-পালট কৰে।।*

*দশ মাস দশ দিনে পুত্ৰ এভূমিত পাইলো।।"*[৫]

*ৰাতিপুৰা দোকমোকালিত পূজা শেষ হয়।*

*পুজাৰ শেষত এই গীতটো গায়-*

*"কলতো তলাৰে আঠীয়া কলৰে।*

*দেখুং বন্ধুৰা কাৰ বাৰী যায়।।*

*পৰাৰ পুৰুষ আপোনাৰ নাহয়।*

*পৰভাতে পলায়।।"*[৬]

গীতটোত পৰপুৰুষক আঠিয়া কলৰ লগত তুলনা কৰা হৈছে। আঠিয়া কল পকিছে নে নাই বুজিব নোৱাৰি। ঠিক সেইদৰে পৰপুৰুষৰ মনো বুজিব নোৱাৰি। আঠিয়া কলৰ ভিতৰত গুটিৰে ভৰা থাকে। পৰপুৰুষ কেতিয়াও আপোন হ'ব নোৱাৰে। ফৰকাল হোৱাৰ পিছত সিহঁত গুছি যায়। এই গীতটোৰদ্বাৰা পৰকীয়া প্ৰেমৰ বিৰুদ্ধাচৰণ কৰা হৈছে। অৱশ্যে অঞ্চলভেদে কাতিকা পূজাৰ গীতসমূহ কিছু বেলেগ ভিন্ন দেখা যায়।

ইয়াৰ পিছত প্ৰসাদ বিতৰণৰ পৰ্ব। সকলোৱে কাতি ঠাকুৰৰ আৰ্শীৰ্বাদ লৈ ভক্তি সহকাৰে প্ৰসাদ গ্ৰহণ কৰি নিজ নিজ ঘৰলৈ উভতে। এনেদৰে নৃত্য গীতেৰে ভৰপূৰ 'কাতিকা পূজা'ৰ সমাপ্তি ঘটে।

### ৩.০১.২ হুদুম পূজা ঃ

হুদুম পূজা কোচ-ৰাজবংশী লোকসকলৰ এক নাৰীকেন্দ্ৰিক অনুষ্ঠান। কেৱল নাৰীসমাজৰ দ্বাৰা 'হুদুম পূজা'ৰ আচাৰ, নীতি-নিয়মসমূহ পালন কৰা হয়। পানীৰ আন এটা নাম জীৱন। ই কেৱল মানুহৰেই জীৱন নহয়, পৃথিৱীত থকা সকলো উদ্ভিদ আৰু প্ৰাণী অৰ্থ্যাৎ সকলো জীৱৰেই জীৱন। আনহাতে মানৱজাতি খাদ্যৰ কাৰণে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। পানী নহ'লে শস্য উৎপাদন সম্ভৱ নহয়। আমাৰ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। এই কৃষি প্ৰধানকৈ বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীল। বৰষুণৰ পানী ভূ-প্ৰকৃতি বৰ্ধনক উপাদান। এই বৰষুণৰ পানীয়ে মাটিৰ উৰ্বৰা শক্তি বঢ়োৱাৰ উপৰিও পৃথিৱীক সজীৱ কৰি তোলে। তৰু তৃণ, গছ-গছনিৰ বৃদ্ধি হয়, জীৱ-জন্তু, চৰাই চিৰিকতি আৰু মানুহৰ আহাৰ্য নানা তৰহৰ ফল-মূলৰ উপৰিও বিভিন্ন ধৰণৰ শস্যই পৃথিৱী উপচি পৰে। আমাৰ দেশত সাধাৰণতে ব'হাগৰপৰা আৰম্ভ কৰি ভাদ মাহৰ শেষলৈকে বৰষুণ হোৱা দেখা যায়। কিন্তু এই সময়ছোৱাত যদি অতিবৃষ্টি বা অনাবৃষ্টি হয় তেতিয়া হ'লে দেশৰ বিস্তৰ ক্ষতি হয়। অতিবৃষ্টি হ'লে বানপানী হৈ খেতিবাতি নষ্ট হৈ যায়। আনহাতে অতিবৃষ্টিতকৈ অনাবৃষ্টি আৰু বেছি ভয়াৱহ। অনাবৃষ্টিৰ ফলত খেতিবাতি নহয়, মানুহ এটোপাল পানীৰ কাৰণে হাহাকাৰ কৰি মৰে, অপায় অমঙ্গল, দুৰ্ভিক্ষ আৰু মাৰি মৰক দেখা দিয়ে। অনাবৃষ্টিৰ পৰা ৰক্ষা পাবলৈ যুগে যুগে পৃথিৱীৰ বিভিন্ন ঠাই মানুহ প্ৰকৃতিক কেন্দ্ৰ কৰি নানা দেৱ-দেৱীৰ পূজা, কল্পনা বা উপাসনা কৰি আহিছে। "ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত অনাবৃষ্টি দূৰীকৰণাৰ্থে প্ৰকৃতিক সন্তুষ্ট কৰিবলৈ নানা ধৰণৰ পূজা-পাতল কৰা পৰিলক্ষিত হয়। আনকি মহাকাব্যিক যুগতো অনাবৃষ্টি নিৰসনৰ কাৰণে ইন্দ্ৰ, বৰুণ আদি বৈদিক দেৱতা, ৰামায়ণ, মহাকাব্যত বৰ্ণিত অনাবৃষ্টি নিৰসনৰ বাবে ৰজা জনকৰ হালচালনা আৰু সীতাপ্ৰাপ্তি, মহাভাৰতৰ খাণ্ডৱদাহনত ইন্দ্ৰৰ বাৰিবৰ্ষণ প্ৰভৃতি দৃষ্টান্ত অনুধাৱন কৰিলে প্ৰাচীন ভাৰতত জলদেৱতাৰ পূজাৰ প্ৰচলনৰ ইঙ্গিত পোৱা যায়।"[৭] দীৰ্ঘদিন ধৰি অনাবৃষ্টিৰ ফলত মাটি শুকাই নিৰস হ'লে পৃথিৱীৰ ভূভাগত শস্য ধাৰণ অসম্ভৱ হৈ

পৰে। ফলত অনাগত কালৰ দুৰ্যোগ গুচাই বৰষুণৰ পানীৰে জীপাল কৰি শস্যসম্ভৰা কৰি তুলিবলৈ কোচ-ৰাজবংশী নাৰীসমাজে সম্পূৰ্ণ লৌকিক প্ৰথাৰে হুদুমদেওৰ পূজা অনুষ্ঠিত কৰে।

"*হুদুমদেও একজন বৃষ্টিনিয়ামক দেৱতা।*"[৮] হুদুমদেওৰ বিষয়ে লোকসংস্কৃতি গৱেষক আৰু বিশেষজ্ঞ বীৰেন্দ্ৰনাথ দত্তই এনেদৰে মন্তব্য আগবঢ়াইছে-

"*হুদুমদেও বৃষ্টিদাতা দেৱতা। তেওঁক কিছুমানে ইন্দ্ৰ আৰু কিছুমানে বৰুণ দেৱতাৰ লগত একীকৰণ কৰিব খুজিলেও তেওঁৰ পূজাৰ প্ৰকৃতিৰ পৰা এইটো স্পষ্ট হয় যে তেওঁ এক আদিম উৰ্বৰদাতা দেৱতা। চ'ত বহাগ মাহত অনাবৃষ্টিৰ সময়ত গভীৰ নিশা নিৰ্জন স্থানত অকল তিৰোতাৰ দলৰ দ্বাৰা হুদুম পূজা অনুষ্ঠিত হয়। স্ত্ৰীসকলৰ দ্বাৰা বিবসনা হৈ কৰা নৃত্য আৰু অন্যান্য আদিম প্ৰজনন ভাৱনাপুষ্ট ক্ৰিয়াকাণ্ড এই পূজাৰ অংগীভূত।*"[৯]

জনবিশ্বাস মতে হুদু চৰায়ে যেতিয়া মাতে তেতিয়া বৰষুণ দিয়ে। সেয়ে, কোচ-ৰাজবংশী লোকসকলে বনৰীয়া হুদু চৰাই ধৰি আনি অমাৱস্যা ৰাতি পথাৰৰ নিৰ্জন ঠাইত নাইবা নদীৰ পাৰত খুঁটি এটাত বান্ধি হুদুম পূজা কৰিছিল। কিন্তু বৰ্তমান সময়ত হুদু চৰাইৰ পৰিৱৰ্তে কলগছৰ পুলি পুতিহে পূজা কৰা হয় আৰু কলগছৰ পুলিটোক হুদুম খুঁটি বুলি কোৱা হয়। হুদুম খুঁটি হিচাপে ব্যৱহাৰ কৰা কলপুলিডাল সকলোৱে কাটিব নোৱাৰে কেৱল "এক কুশিয়া ছাওৱা" অৰ্থ্যাৎ এটি মাত্ৰ সন্তান থকা মাতৃয়েহে কাটিব লাগে আৰু ৰাতিৰ আন্ধাৰত বিবস্ত্ৰা হৈ একে উশাহতে কাটিব লাগে।

হুদুম পূজাৰ সাতদিন আগৰ পৰাই সাতজনী অকুমাৰী ছোৱালীয়ে কুলা আৰু ঘট লৈ প্ৰতিদিনে সাত ঘৰৰ পৰা পানী আনি জমা কৰি থয়। পূজাৰ দিনা ৰাতিপুৱাই সকলোৱে গৈ পূজাৰ বাবে ঠিক কৰা ঠাইডোখৰ ভালদৰে মচি চিকুণোৱা হয়। তাৰ পিছত এযোৰ নাঙল-যুৱলী ভালদৰে ধুই সেঁন্দুৰৰ ফোঁট দি তিনিগৰাকী অকুমাৰী ছোৱালীয়ে গৰু আৰু হালোৱা হৈ মাটি চহায় আৰু তাৰ আগতে সাত ঘৰৰ পৰা সংগ্ৰহ কৰা পানী ছটিয়াই দিয়ে। মাটি চহোৱাৰ পিছত কলপুলিটো পুতিবৰ বাবে গাঁত খুন্দা হয়। সেই গাঁতৰ ভিতৰত কিছুমান বস্তু দিয়া হয়। সেইবোৰ হৈছে- ঢোৰা কাউৰীৰ মূৰ, ফেচু চৰাইৰ বাঁহ, নটী দুৱাৰৰ মাটি, হাতীৰ দাঁতৰ মাটি, ঢেঁকী ধোৱা পানী, সাতবাৰীৰ মাগা পানী (সাত ঘৰৰ পৰা সংগ্ৰহ কৰা পানী) একাধিক পতি থকা মহিলাৰ যৌনকেশ,

বুঢ়ী সূতা, মকৰাজাল, ঘূৰ্ণীবতাহৰ উৰা যিকোনো বস্তু আদি। সেই সকলো সামগ্ৰী গাঁতত ঢালি দি প্ৰধান পূজাৰিণীয়ে আয়তীসকলৰ উৰুলিধ্বনিৰে বিবস্ত্ৰ হৈ সেই গাঁতটোত 'হুদুম খুঁটি' পোতে। তাৰ পিছত এখন নতুন কুলাৰ ওপৰত গা ধোৱে আৰু কুলাত থকা পানীখিনি আৰু এবাৰ উৰুলিধ্বনি দি হুদুম খুঁটিটোক ধোৱাই দিয়ে। উক্ত পূজাত উপকৰণ হিচাপে থাকে- 'যোল্লটিয়া কলা' অৰ্থ্যাৎ যোল্লটা কল থকা এক আখি কল, গুৰ, চেনি, আতপ চাউল, ফল-মূল, দৈ, গাখীৰ, এটি জলপূৰ্ণ ঘট, তামোল-পাণ, ধূপ-ধূনা, বাৰ শইচ (বাৰবিধ শস্য) আদি।

হুদুম খুঁটি পোতা হ'লে জলপূৰ্ণ ঘটটোত এযোৰ তামোল-পাণ, বাৰ শস্য দি হুদুম খুঁটিৰ ওচৰত স্থাপন কৰি ধূপ-ধূনা জ্বলাই ফলমূলৰ নৈবদ্য আগবঢ়াই পূজাৰ কাম শেষ কৰা হয়। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত জনবিশ্বাস মতে হুদুম খুঁটি পোতাৰ লগে লগেই বৰষুণ হয়। যদি তিনিদিনৰ ভিতৰত নহয় তেনেহ'লে আয়তীসকলে হুদুম পূজা আৰম্ভ কৰে। বৰষুণ নহ'লে এই পূজা কেইবাদিনো লৈ চলি থাকে। মহিলাসকলে ৰান্ধি-বাঢ়ি ঘৰৰ গৃহস্থ, ল'ৰা-ছোৱলীক খুৱাই ধুৱাই থৈ ওলাই যায় আৰু গোটেই ৰাতি গীত-নৃত্য কৰি হুদুম দেওৰ ওচৰত বৰষুণৰ প্ৰাৰ্থনা জনায়।

হুদুম পূজাত গীত-পদসমূহ বিশিষ্ট অংগ। পূজাত গীতসমূহে মন্ত্ৰৰ ভূমিকা গ্ৰহণ কৰে। পূজাত প্ৰতিটো কাৰ্যৰ গীতবোৰ সুকীয়া সুকীয়া। গীতৰ মাজেৰে অনুষ্ঠানটোৰ উদ্দেশ্য আচাৰ-নীতি, নাৰীসকলৰ আশা আকাংক্ষা, আবেগ আদি প্ৰকাশ পায়। হুদুম পূজাৰ গীতৰ কিছু নিদৰ্শন আগবঢ়োৱা হ'ল-

*(১)*

*"জাগৰে জাগৰে হুদুম, আজি কাৰ ৰাতি,*
*গৃহস্থীয়া কৰে পূজা দিয়া ধূপ চাইলন বাতি।*
*আকাশতে কৰে পূজা আকাশ কাওলী,*
*পাতালতে কৰে পূজা এক কাল লাগালি*
*কালা মেঘে ধলা মেঘে ডাকিয়া আন ঝৰী,*
*আন্ধাৰ কৰিয়া দেওৱা আইসে দাবাৰি।"*[১০]

*(২)*

*"ওকি দেৱৰাজ!*

*যিও ঘাটে ফুল তুলসী ভাসে*

*ঐ না ঘাটে নামিয়া পূজা*

*নেও মোৰ দেৱৰাজ হে।।*

*ও কি দেৱৰাজ !*

*যিও ঘাটে আতপ কলা ভাসে।*

*ঐ না ঘাটে নামিয়া পূজা*

*নেও মোৰ দেৱৰাজ হে।।*

*ও কি দেৱৰাজ !"*[১১] - ইত্যাদি

*"হুদুম পূজাৰ গীতবিলাক যৌনধৰ্মী যদিও ইয়াত যৌন ব্যভিচাৰ নাথাকে। এই অনুষ্ঠানত পূজাৰিণীসকলে উলঙ্গ হৈ যৌন ধৰ্মী গীত পদ গাই আকুলভাৱে বৰষুণৰ বাবে 'হুদুম দেও' (হুদুম দেৱতা)ৰ ওচৰত প্ৰাৰ্থনা জনায়। ৰাতিৰ আন্ধাৰত নিৰ্জন ঠাইত এই অনুষ্ঠানত তেওঁলোকৰ উলংগ হ'ব কোনো দ্বিধা, লাজ নেথাকে। কাৰণ সকলো জীৱৰ ধাৰক বাহক এই বসুমতী আৰু নিজেই নিৰাবৰণা। নাৰীও প্ৰকৃতি। গতিকে নিৰাবৰণা প্ৰকৃতিৰ লগত একাত্মবোধ স্থাপন কৰিবলৈ নাৰীও নিৰাবৰণা হ'ব লাগিব। পৃথিৱী নাৰী প্ৰকৃতি, হুদুম ইন্দ্ৰ বৰণ তেওঁৰ স্বামী। সেই স্বামীৰ বীৰ্যস্বৰূপ বৰষুণ পৰিলে স্ত্ৰীৰূপা পৃথিৱী উৰ্বৰা হৈ শস্য সইশ্যে ফলেফুলে নদন-বদন হয়।"*[১২]

হুদুম পূজা প্ৰাচীন কালত খেতি পথাৰৰ নিৰ্জন ঠাই অথবা নদীৰ পাৰত সীমাবদ্ধ আছিল। সম্প্ৰতি, হুদুম পূজা, হুদুম গান আধুনিকতাৰ পৰশত মঞ্চত অনুষ্ঠিত কৰা দেখা যায়। হুদুম পূজাই কোচ-ৰাজবংশীসকলৰ নিজস্ব সংস্কৃতি বহন কৰি আহিছে।

### ৩.০১.৩ কাচাইখাইতি / কাচাইখাতী পূজা ঃ

কাচাইখাতীপূজা কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত অন্যতম পূজা। এই পূজা গাঁওৰ ৰাইজে মিলি নতুন বছৰ অৰ্থাৎ ব'হাগ মাহত অনুষ্ঠিত কৰে। এই পূজা পৰম্পৰাগতভাৱে বিভিন্ন নীতি-নিয়মেৰে সুচাৰুৰূপে পালন কৰাৰ বাবে এগৰাকী দেউৰী থাকে। ইয়াত কোনো ব্ৰাহ্মণ নাথাকে।

বিধি অনুযায়ী পূজাৰ আগদিনা আবেলি অথবা সন্ধিয়াত গাঁওৰ ৰাইজ তথা দেউৰীয়ে গাঁওৰ থানশালীলৈ যায়। থানশালী ভালদৰে চাফ চিকুণাই এগছি চাকি জ্বলাই এযোৰ তামোল-পাণৰ লগতে প্ৰসাদ আগবঢ়াই থানশালীত থকা সকলো দেৱ-দেৱীকে পিছদিনা হ'বলগীয়া পূজাৰ বাবে জাগ্ৰত কৰায়। তাৰ পিছত সকলোৱে প্ৰসাদ খাই ঘৰমুৱা হয়।

দ্বিতীয় দিনা অৰ্থ্যাৎ মূল পূজাৰ দিনা গাঁওৰ ৰাইজ, দেউৰী সকলোৱে থানশালীত উপস্থিত হৈ কাইচাকাতী পূজাৰ আয়োজন কৰিবলৈ লয়। প্ৰথম বিধি অনুযায়ী দেউৰীয়ে ভগৱতীৰ পূজা অৰ্চনা কৰে। ভগৱতীৰ থাপনাত কোনো মূৰ্তি নাথাকে; মূৰ্তিৰ সলনি বেত গছৰ টুকুৰা এডাল থাকে। ভগৱতী দেৱীক চাকি বন্তি  জ্বলাই প্ৰসাদ আগবঢ়োৱা হয়। ইয়াৰ পিছত কাচাইখাতী দেৱীক কাচাইখাতীৰ পূজা কৰা হয়। ইয়াৰ বাবে কাচাইখাতীৰ বেদীত বগা আৰু ৰঙা ৰঙৰ ১৮ ডাল বাঁহৰ কাঠি লগাই বেদীৰ পূৰফালে উত্তৰা-দক্ষিণাকৈ শাৰী শাৰীকৈ পোতা হয়। প্ৰত্যেকখন নিচানৰ তলত কলৰ দোনাত তামোল-পাণ এযোৰ আগবঢ়োৱা হয়। একেবাৰে উত্তৰদিশত বগা নিচান থাকে। তাৰ দক্ষিণফালে ক্ৰমান্বয়ে ৰঙা, বগা নিচানবোৰ পোতা হয়। মনকৰিবলগীয়া যে ১৮ খন নিচান স্থান অনুযায়ী ১৮ কুৱেৰ, ১৮ কালী অথবা ১৮ গোপালক উদ্দেশ্যে পূজা আগবঢ়োৱা হয়। একেবাৰে উত্তৰ দিশত থকা নিচানখন ৰাজা ঠাকুৰক উদ্দেশ্য দিয়া হয়। কিছুমানৰ মতে এই বগা নিচানখন পুৰুষ শক্তিৰ প্ৰতীক বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে। উত্তৰ দিশত থকা প্ৰথম বগা নিচানখনৰ পাঁচ থগী প্ৰসাদ দিয়া হয়। প্ৰথম বগা নিচানখনৰ বাহিৰে বাকী থকা বগা নিচানবোৰত চাৰি থগী আৰু ৰঙা নিচানবোৰত তিনি থগীকৈ প্ৰসাদ দিয়াৰ নিয়ম।

কাচাইখাতী পূজাত কলগছৰ টুকুৰাৰে এখন নাও আকৃতিৰ ভূৰ বনোৱা হয় লগতে নাওখনৰ চাৰিওফালে খাই ঢাক থকাকৈ এটা সৰু কোঠালিৰ দৰে সজোৱা হয় আৰু দুৱাৰৰ ব্যৱস্থাও কৰা হয়। নাওখন ৰঙা জবাফুলেৰে সজোৱা হয়। পূজা আৰম্ভ হোৱাৰ লগে লগে এই নাওখন পূজাথলীৰ দক্ষিণ দিশত দুৱাৰখন উত্তৰমুৱাকৈ ৰখা হয়। থানশালীত প্ৰসাদ আগবঢ়োবাৰ পিছত সকলো ৰাইজে আঁঠু লয় আৰু দেউৰীজনে সকলো ৰাইজৰ হৈ প্ৰাৰ্থনা জনায় যে যাতে গাঁওখনৰ পৰা অপায় অমংগল দূৰ হয়, বিপদ বিঘিনী, ৰোগ-ব্যাধিবোৰ মায়ে আঁতৰ কৰে, গাঁওৰ মানুহৰ ওপৰত, যাতে কোনো ধৰণৰ কু শক্তিৰ কুদৃষ্টি নপৰে। এনেদৰে কাচাইখাতী দেৱীক চিন্তি মংগল কামনা

কৰি দেৱীৰ নামত উচৰ্গা কৰা পাৰ চৰাই এহালক সেঁন্দুৰৰ ফোঁট লগাই সেই নাওখনত সুমুৱাই দি দুৱাৰখন বন্ধ কৰি দিয়ে। মন কৰিবলগীয়া কথা যে এই পূজাত বলি দিয়া নহয়। দেৱীৰ নামত পাৰ চৰাই জীয়া জীয়াই উচৰ্গা কৰা হয়। এই পূজাত কিছুমান ছাগলীও উচৰ্গা কৰা দেখা যায়। কাৰণ প্ৰচলিত জনশ্ৰুতিমতে কাচাইখাতী দেৱীয়ে কেচাই কেচাই খায় বুলি বিশ্বাস কৰে।

নাওখনত পাৰচৰাইহাল সুমুৱাই দুৱাৰখন বন্ধ কৰাৰ পিছত দুৱাৰৰ সোঁফালে সাত ডাল ধূপ জ্বলাই দিয়ে আৰু বাওঁফালে সাত ডাল 'ভোকা' জ্বলাই দিয়া হয়। ভোকা হ'ল এক ফুটমান দীঘল বাঁহৰ কাঠিৰে সজোৱা এবিধ সঁজুলি য'ত এফালে কপাহ মেৰিয়াই দি ঘিউ লগোৱা হয়। এনেদৰে সাতডাল ভোকা সাজি নাওৰ দুৱাৰৰ বাওফালে ভালদৰে লগাই দি জুই জ্বলাই দিয়া হয়। এইখিনি কাৰ্য শেষ হোৱাৰ পিছত আকৌ এবাৰ দেৱীৰ উদ্দেশ্যি সবৰ্ত্ৰে মংগল কামনা কৰি কাঁহৰ ঘন্টা বজাই মংগল ধ্বনি দি দেউৰীৰ সৈতে গাঁওৰ ৰাইজে কাচাইখাতী দেৱীক বিদায় দিয়ে। তাৰ পিছত নাওখন চাৰিজন মানুহে কান্ধত তুলি লৈ নদীত উটুৱাই দি আহে। নাওখন কান্ধত তুলি নিয়াৰ সময়ত মানুহ কেইজনে পিছফালে ঘূৰি নাচায়। লোকবিশ্বাস মতে ঘূৰি চালে অপায় অমংগল, বিপদ-বিঘিনী, ৰোগ ব্যাধি আদি গাঁওতে থাকি যায় অথবা ঘূৰি আহে। ইয়াৰ পিছত সকলোৱে প্ৰসাদ খাই নিৰ্মালি লৈ ঘৰমুৱা হয়। কাচাইখাতী পূজা অতীতৰে পৰা পৰম্পৰাগত ভাৱে কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰচলিত হৈ আহিছে। অৱশ্যে সকলো ঠাইতে এই পূজা কৰা দেখা নাযায়। কোকৰাঝাৰ জিলাৰ বৃহৎ কালীপুখুৰী অঞ্চলত আৰু চিৰাং জিলাৰ অন্তৰ্গত বাসুগাঁওত কাচাইখাতী পূজা অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। বৃহৎ কালীপুখুৰী অঞ্চলত এই পূজা বৰ্তমান সময়তো দেউৰীৰ দ্বাৰা সম্পন্ন কৰা হয়। আনহাতে বাসুগাঁওত বামুণৰ উপস্থিতি মনকৰিবলগীয়া দিশ। কাচাইখাতী পূজাৰ আগ মুহূৰ্তত ভগৱতী দেৱীৰ পূজা বামুণৰ দ্বাৰা বৈদিক প্ৰথাৰে কৰা হয়, মন্ত্ৰ মাতে, হোম পুৰে, পুষ্পাঞ্জলীও দিয়ে। তাৰ পিছতহে দেউৰীৰ দ্বাৰা কাচাইখাতীৰ পূজা কৰা দেখা যায়।

## ৩.০১.৪ বাঁশ পূজা ঃ

কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগত ভাৱে প্ৰচলিত এক অন্যতম পূজা হ'ল বাঁশ পূজা। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত বাঁশ পূজাৰ প্ৰচলন আছে যদিও বৰ্তমান সময়ত কিছুমান গাঁওত প্ৰচলন নাই।

প্ৰতি বছৰে ব'হাগ মাহৰ অমাৱস্যা তিথিত কৃষিকাৰ্যৰ আগমুহৰ্তত অৰ্থাৎ কঠীয়া সিচাঁৰ আগে আগে বাঁশ পূজা অনুষ্ঠিত কৰা হয় বাবে ইয়াক কৃষিভিত্তিক লোক উৎসৱৰ ভিতৰত ধৰা হয়। দৰাচলতে, খেতি কৰাৰ আগমুহৰ্তত গাঁওৱে স্থাপিত মন্দিৰ যেনে- কাচাইখাতী দেৱীৰ মন্দিৰ, কালী মন্দিৰ, গায়া দেৱ-দেৱীৰ থানশালী অথবা মদন কামদেৱৰ মন্দিৰত গাঁওৰ ৰাইজে শস্যৰ উৎপাদন, নানা ধৰণৰ সংক্ৰামক বেমাৰ-আজাৰ, নানা অপায়- অমংগল, মাৰি-মৰক, ৰোগ ব্যাধি আদিৰ পৰা ৰক্ষা পাবৰ বাবে তথা গাঁওৰ সৰ্বত্ৰ মংগল কামনা কৰি পূজা দিয়ে। এনে পূজাৰ লগত সংগতি ৰাখিয়ে বাঁশপূজাৰ আয়োজন কৰা হয়। বাঁশ পূজা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। পূজাৰ আগদিনাৰ পৰা শেষলৈকে গাঁওৰ ৰাইজে নিৰামিষ তথা হবিচ (এক সিদ্ধ ভাত) খায়।

বাঁশ পূজাৰ আগদিনা 'জাগানী' বা 'বাঁশ জাগোৱা' হয়। পূজাত প্ৰথম দিনা বাঁশ কটা পৰ্বটোৰ বাবে আগদিনাখনে দুডাল মুখ্য বাঁহ নিৰ্দ্ধাৰণ কৰা হয়। নিৰ্দ্ধাৰিণ কৰা বাঁহ দুডালৰ পৰস্পৰ কমেও পাঁচোটা গাঁঠি মিল থাকিব লাগিব বা সমান সমান হ'ব লাগিব। জাগনীৰ দিনা দেউৰী, গাঁওৰ ৰাইজ লগ হৈ উক্ত বাঁহ দুডালক শান্তি জল ছটিয়াই বাঁহৰ গুৰিত দুয়োৰ তামোল-পাণ আগবঢ়ায় আৰু সেঁন্দুৰৰ ফোঁট পিন্ধাই ধূপ-চাকি জ্বলাই সেৱা জনাই পৰৱৰ্তী পূজাৰ বাবে আৱাহন কৰি থৈ আহে।

পূজাৰ প্ৰথম দিনা বাঁহ কটা পৰ্বৰে বাঁশ পূজা আৰম্ভ হয়। সেইদিনাখন ৰাতিপুৱাৰ ভাগতে দেউৰী, গাঁওৰ ৰাইজ, ঢলুৱাসহ গৈ পূজা-অৰ্চনা কৰি মুখ্য বাঁহ দুডাল দেউৰীয়ে নিজে কাটে। সাধাৰণতে প্ৰথম বাঁহডাল সাত বা ন হাত দীঘল কৈ কাটে। দ্বিতীয় ডাল প্ৰথম ডালতকৈ এক ইঞ্চি চুটি কৈ কাটে। ঠাই বিশেষে উক্ত বাঁহ দুডালক বুঢ়া বাবা-চেঙেৰা বাবা, মামা-ভাগিন, কালী-কাচাইখাতী, কালী-মদনকাম দেৱ বুলি কয়। উক্ত মুখ্য বাঁহ দুডালৰ উপৰিও স্থান বিশেষে সাত, ন, পোন্ধৰ অথবা একৈশ ডাল বাঁহ ৰাইজে মিলি কাটে। তদুপৰি যদি কোনো গৃহস্থই আগৰ বছৰ মানস কৰি ফল পাইছে তেন্তে সেই গৃহস্থই নিৰ্দ্দিষ্ট দেৱতাৰ নামত বাঁহ দিয়ে। এনেকৈ বাঁহৰ সংখ্যা বাঢ়িবও পাৰে। বাঁহসমূহ কাটি পূজাথলীত আনি এটা পাত্ৰত গাখীৰ, তুলসী পাত, সোণ-ৰূপৰ পানীৰে প্ৰতিডাল বাঁহক ধোৱাই দেৱ-দেৱী অনুযায়ী বগা, ৰঙা, কলা আদি ৰঙৰ

আনাকাটা কাপোৰেৰে মেৰিয়াই দিয়া হয় আৰু আগবোৰত চোঁৱাৰ বান্ধি থিয় কৰাই থোৱা হয়।

"বাঁশ পূজাত পূজিত দেৱ-দেৱীসকল হ'ল-

১) কালী

২) বুঢ়াহৰি

৩) বুঢ়া চন্দাৰ

৪) গাবু চন্দাৰ

৫) বুঢ়ী

৬) গাবু ঠাকুৰাণী

৭) পাগিলী

৮) কাচাইখাতী

৯) বিদ্যাগায়া

১০) গাওৰ ৰাজা

১১) চিকণা ৰামা (পাহাৰীয়া)

১২) দুধ নাখা দেৱতা

১৩) পৱন দেৱতা

১৪) হালমাজি

১৫) মাদাৰ চাহেব

ইয়াৰ উপৰিও বাঁহ নথকা স্থানীয় পূজিত দেৱ-দেৱী সকল হ'ল-

১) দাঙুৱা

২) ভাঙুৰি

৩) কাণ্ডলি

৪) খুজালি

৫) হাগুৰি

৬) চাকুলি"[১৩]

বাঁশ পূজাত এজন নিৰ্দ্দিষ্ট দেওধা থাকে আৰু তেঁৱেই প্ৰতি বছৰে পূজাৰ কামবিলাক কৰে। তেওঁ এডাল গুণগত বেত থাকে। মাটিৰ এটা নতুন পাত্ৰত চাউল, গাখীৰ, ৰূপৰ এটা আঙুঠি আৰু পানী দি পাত্ৰটো ভালদৰে বগা কাপোৰেৰে মেৰিয়াই থয়। এই পাত্ৰটোৰ নাম হৈছে ভাণ্ডাৰা।

লোকবিশ্বাস মতে ভাণ্ডাৰৰ পানী পৱিত্ৰ। দেউৰীয়ে পূজা-পাতল শেষ কৰাৰ পাছত ঢোল বাজানাৰে গাঁওৰ ঘৰে ঘৰে মাগন কৰিবলৈ ওলায়। এইখিনিতে উল্লেখযোগ্য যে "*বাঁশ পূজাত 'মাদাৰ চাহেব'ৰ প্ৰতীক হিচাপে থকা বাঁহডালক 'বাশুৱা' (বাঁহ ধৰা লোক) আৰু লগত দুজনমান গাঁওৰ ৰাইজে মুছলমান সম্প্ৰদায়ৰ গাঁওতহে মাগন কৰিবলৈ যায়। মুছলমান লোকসকলে মনোকামনা পূৰণ কৰিবৰ বাবে মানস কৰাও দেখা যায়। যদি মনোবাঞ্ছা পূৰণ হয় তেন্তে গৃহস্থই কুকুৰা চৰাই মাদাৰ চাহেবৰ নামত উৰ্চগা কৰে।*"[১৪] ঘৰে ঘৰে মাগন কৰি পোৱা সামগ্ৰীসমূহেৰে ৰাতি পূজাথলীত 'বাশুৱা', 'ঢলুৱা' সকলোৱে মিলি হবিচ খায়। সন্ধিয়া মাগন কৰি অহাৰ পিছত থানশালীত পূজা কৰা হয়। ঢলুৱাই ঢোল বজায়, তালে তালে বাশুৱাই বাঁশ লৈ লৈ নাচে, দেওধাই দেওধা উঠে আৰু ইয়াক ধামাল তোলা বা উঠা বুলি কয়। দেওধা উঠাৰ সময়ত তেওঁ ভাণ্ডাৰটোত ৰখা চাউল ছটিয়াই উপস্থিত ভক্তসকলৰ মাজৰ পৰা কিছুমানক মাতে আৰু চাউল হাতত লৈ ভক্তসকলৰ মংগলৰ কথা কয়। এনেদৰে ধামাল তোলাৰ সময়ত দেওধাৰ গাত ভাণ্ডাৰৰ পৰা চাউল লৈ মন্ত্ৰ জপি জপি বিভিন্ন দেৱ-দেৱীয়ে লম্ভে আৰু দেৱতাৰ ভাও দি বিভিন্ন ধৰণৰ কথা কয়। দেওধাজনে পূজাৰ লগত সকলো লোকৰে আৰু সকলো কাম কাজৰে ভাল-বেয়া আঙুলিয়াই দিয়ে। উপস্থিত ভক্ত সকলে যদি নিজৰ মঙল চাব বিচাৰে, তেনেহ'লে দেওধাজনৰ হতুৱাই চাব পাৰে।

এইখিনিতে উল্লেখযোগ্য দিশ যে ধামাল উঠাৰ সময়ত কিছুমান গীতৰ প্ৰচলন দেখা যায়। সাধাৰণতে এই গীতবোৰ বিভিন্ন দেৱ-দেৱী সম্পৰ্কীয় আৰু কৃষিৰ লগত জড়িত। তাৰে কিছুমান গীতৰ নিদৰ্শন আগবঢ়োৱা হ'ল-

*"শিৱ বাবা হাল বোৱায় ৰে*

*ওৰে ৬ টা বলদ দিয়া*

*দিনে ৰাতি, হাল বোৱায়*

১১ টা নাঙল দিয়া ৰে

শিৱ বাবা হাল বোৱায় ৰে

সাত দিন সাত ৰাতি শিৱে বোৱায় হাল ৰে

উপায় নাদেখিয়া শিৱানী ভাৱে মনে মনে

শিৱ বাবা হাল বোৱায় ৰে

মউ বলা, ডাস-মসা অমনী চাৰিয়া দিলোৰে

শিৱ বাবা হাল বোৱায় ৰে

গাঁজাৰ ধোৱায় ডাস-মসা অমনী চাৰিয়া দিলোৰে

শিৱ বাবা হাল বোৱায় ৰে।"[১৫]

......................................................................

"কাল মেঘেৰ ভোমোৰা ৰে

অ' ভোমোৰ গেলো ৰে চাৰিয়া

কাল মেঘেৰ ভোমোৰা ৰে ....

আমাৰ বাৰীত যাবি তোমাৰ

বসিতে দিব পীৰাৰে

কাল মেঘেৰ ভোমোৰা ৰে ....

জলপান কৰিতে দিব।

শালিধানেৰ চিৰাৰে

কাল মেঘেৰ ভোমোৰা ৰে ....

অ' ৰে ............. "[১৬]

"এ আউলা কেশী লেংটাকালী

ৰণ সাজন সাজে

এ আউলা কেশী উৰ্ধ্বমুখী

ৰণ সাজন সাজে

*বাঁওহাতে মুণ্ডমালা*

*ডাইন হাতে অসিৰে*

*ও আউলাকেশী লেংটাকালী*

*ৰণ সাজন সাজে*

*এ আউলাকেশী উৰ্ধ্বমুখী*

*ৰূপ সাজন সাজে।'*[১৭]

এনেদৰে তিনিদিনীয়া, চাৰিদিনীয়া কাৰ্যসূচীৰে বাঁশ পূজা অনুষ্ঠিত হয়। বাঁশ পূজাৰ শেষৰ দিনটোক 'ভাসানী' বুলি কোৱা হয়। ভাসানীৰ দিনা ৰাতিপুৱাৰ ভাগতে দেউৰী, গাঁওৰ ৰাইজ মন্দিৰত সমবেত হৈ পূজাৰ বাবে যাৱতীয় যা-যোগাৰ সম্পূৰ্ণ কৰে। ভাসানীৰ দিনা কলগছৰ পৰা নাও আকৃতিৰ এখন ভেলা বা ভূৰ তৈয়াৰ কৰে আৰু ৰঙা জবা ফুল আৰু সেন্দূৰৰ ফোঁটেৰে ধুনীয়াকৈ সজাই লয়। আবেলি মূল পূজা আৰম্ভ হয়। প্ৰত্যেকগৰাকী দেৱ-দেৱীৰ নামত ধূপ চাকি, নৈবেদ্যৰে পূজা সেৱা কৰি মাহ-প্ৰসাদ আগবঢ়ায়। সিদিনাখনো দেওধাজনৰ ধামাল উঠে আৰু ধামালত প্ৰত্যেকগৰাকী দেৱ-দেৱীৰে অংগী-ভংগীবিলাক কৰে। উক্ত দিনা মাজৰাতি আৱাহন কৰি অনা দেৱ-দেৱীসকলক বিসৰ্জন দিয়া হয়। বিসৰ্জনৰ আগমুহূৰ্তত থানশালীত উপস্থিত থকা গাঁওৰ গোটেই ৰাইজে আঁঠু লৈ আৰোচ (বন্দনা) কৰে য়ে গাঁওৰ সকলো অপায় অমংগল, বাধা-বিঘিনী, ৰোগ-ব্যাধি দূৰ কৰি গাঁওৰ সকলো মানুহ, আন জীৱ-জন্তু ও যাতে ভালে থাকে, খেতি বাতি ভাল হৈ ফলে-ফুলে যাতে নদন-বদন হৈ থাকে ইয়াৰ লগতে উঠি অহা চামে যাতে কৰ্মময় জীৱনত প্ৰতিটো দিশতে আগবাঢ়ি যাব পাৰে, তাৰে আশীষ লৈ দেৱ-দেৱীসকলক বিদায় দিয়ে। ইয়াৰ পিছত বাঁহবিলাকৰ পৰা কাপোৰ কানি খুলি এটা টোপোলা বান্ধি লয় আৰু চোঁৱৰবিলাক গৃহস্থই ঘূৰাই লৈ যায়। শেষত দেউৰী, গাঁওৰ ৰাইজ, বাশুৱা, ঢলুৱা সকলোৱে ঢোল বাজনাৰে নদীৰ পাৰলৈ যায়। তাৰ পিছত আগতে প্ৰস্তুত কৰি থোৱা ভেলাখনত কাচাইখাতীৰ লগতে যখা-যখিনীৰ নামত এটা ক'লা পঠা ছাগলী, এযোৰ পাৰ চৰাই সুমুৱাই দি ভেলাখনৰ দুৱাৰখন বন্ধ কৰি দি উটুৱাই দিয়ে। এইখিনিতে উল্লেখযোগ্য যে মাদাৰ চাহেবৰ নামত উচৰ্গা কৰা কুকুৰা চৰাইহালৰ বাবেও আন এখন ভেলা তৈয়াৰ কৰা হয়। তাৰ পিছত দুয়োখন ভেলা, বাঁহবিলাকৰ সৈতে বাঁহৰ

কাপোৰৰ টোপোলাটো একেলগে নদীত উটুৱাই দি লগত লৈ যোৱা পোহৰ নুমুৱাই সকলোৱে নীৰৱে থানশালীলৈ উভতি আহে। "*লোকবিশ্বাস মতে পোহৰ জ্বলাই ৰাস্তাত কথা পাতি আহিলে দেৱ-দেৱীসমূহ লগতে উভতি আহে।*"[১৮]

বাঁশ পূজা কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰাচীন কালেৰেপৰা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। কোচ-ৰাজবংশী লোকজীৱনত বাঁহৰ প্ৰাধান্য তথা ব্যৱহাৰিক দিশ অতি গুৰুত্বপূৰ্ণ। সন্তান জন্মত বাঁহৰ চুচ্‌কনিৰে (বাঁহৰ সেউজীয়া অংশটি পাতল কৰি ব্লেডৰ নিচিনা ধাৰ কৰোৱা এক ধৰণৰ সঁজুলি) নাড়ী ছেদনৰপৰা আৰম্ভ কৰি গাৰ্হস্থ্য জীৱনত ব্যৱহাৰ হোৱা সঁজুলি, ঘৰ-দুৱাৰ নিৰ্মাণত, কৃষিকৰ্মৰ লগত জড়িত, মাছ ধৰা সঁজুলি, তাঁতশালৰ সঁজুলি আদি নিৰ্মাণত, বৃদ্ধকালত লগত হৈ ফুৰিবলৈ লাঁখুটি, আত্মৰক্ষাৰ বাবে লাঠি, জোং, ধেনু-কাড়ৰ লগতে মৃত্যুৰ সৈতে জড়িত লোকাচাৰ পালন কৰালৈকে বাঁহৰ ভূমিকা খুবেই গুৰুত্বপূৰ্ণ। সেয়ে মানুহে ধানক যেনেকৈ লখিমী বুলি মানে সেইদৰে বাঁহক শক্তি ৰূপে মানে। বাঁশ পূজাত বাঁহ কেইডালক শক্তিৰ প্ৰতীক হিচাপে লগতো বিভিন্ন দেৱ-দেৱীৰ প্ৰতীক হিচাপে পূজা কৰা হয়। বাঁশ পূজাক স্থানবিশেষে মদনকামদেৱ হিচাপেও পূজা কৰা দেখা যায়।

পূৰ্বতে প্ৰায় সৰহভাগ ঠাইতে বাঁশ পূজা কৰা হৈছিল কিন্তু বৰ্তমান সময়ত কিছুমান ঠাইত এই পূজা নকৰে। উদাহাৰণস্বৰূপে, কোকৰাঝাৰ জিলাৰ ডিয়াঝিজিৰিত পূৰ্বতে বাঁশ পূজা কৰিছিল যদিও বৰ্তমান সময়ত নকৰে। স্থান বিশেষে যেনে- কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ অন্তৰ্গত গৰুফেলা, তামাৰহাট, চাপকাটা, চৌতাৰা, দেৱৰগাঁও আদিত কালীমন্দিৰত ৰাজহুৱাভাৱে বাঁশপূজা কৰিলেও ব্যক্তিগতভাৱে ঘৰতে গ্ৰাম পূজাৰ লগত বাঁশ পূজা কৰাও পৰিলক্ষিত হয়।

## ৩.০১.৫ গাৰ্জা পূজা ঃ

'গাৰ্জা পূজা' কোচ-ৰাজবংশী লোকসকলে অতীতৰে পৰা পৰম্পৰাগতভাৱে পালন কৰি আহিছে। কোচ-ৰাজবংশী লোকসকলে পথাৰৰপৰা ধান কাটি আনি, মৰণা মাৰি, ধান ভঁৰালত সোমোৱাৰ আগতে তথা নখোৱাৰ আগে আগে গাঁৱৰ ৰাইজে আঘোণ মাহত গাৰ্জা পূজা অনুষ্ঠিত কৰে, ৰাজহুৱাভাৱে গাৰ্জা পূজা নপতাকৈ কোনো লোকে ঘৰত নতুন চাউলৰ ভাত নাখায়। গাৰ্জা

পূজা অনুষ্ঠিত কৰাৰ বাবে গাঁওৰ সকলো ৰাইজে পূজাৰ খৰচৰ নামত সামৰ্থ অনুযায়ী আৰ্থিক অনুদান আগবঢ়ায় আৰু প্ৰত্যেক ঘৰৰ পৰা চাউল দিয়ে যাতে পূজাৰ দিনা গাঁওৰ সকলো ৰাইজে পূজাৰ প্ৰসাদ তথা ভোগ গ্ৰহণ কৰিব পাৰে। ৰাইজৰ বেমাৰ-আজাৰ, অপায় অমংগল আদি দূৰ কৰিবলৈ দেৱতাৰ আশীষ বিচাৰি এই পূজা অনুষ্ঠিত কৰা হয়।

গাৰ্জা পূজাৰ আগদিনাই দেউৰী আৰু ৰাইজৰ কেইজনমান লোক গাঁওৰ থানশালীত সন্ধিয়া আহি এযোৰ পাৰ চৰাই বলি দি ভগৱতী দেৱীক জাগ্ৰত কৰে। ইয়াৰ লগতে গাৰ্জা দেৱতাক সাত থগী আৰু ভগৱতী দেৱীক ন থগী প্ৰসাদ আগবঢ়োৱা হয়। তাৰ পিছত বলি দিয়া পাৰ চৰাইযোৰ চাফা কৰি কাটি দেউৰীৰ লগতে গাঁওৰ যিকেইজন লোক আছে সকলোৱে অলপ অলপ কৰি ঘৰলৈ লৈ যায় আৰু ঘৰত ৰান্ধি প্ৰসাদ হিচাপে গ্ৰহণ কৰে।

পূজাৰ দিনা ৰাতিপুৱাৰ ভাগতে গাঁৱৰ ৰাইজ পূজাথলী বা থানশালীত আহে। সকলোৱে মিলি পূজাৰ যা-যোগাৰ কৰে। তাৰ পিছত থানশালীত থকা গাৰ্জা ঠাকুৰ, হাতীৰ শুৰ (গনেশ ঠাকুৰ), চাং ৰাজা (জংঘলীয়া ৰজা) ৰাজাঠাকুৰ, ওঠৰ (১৮) গোপাল আদি দেৱতাসকলকো একেলগে পূজা কৰা হয়। থানত থকা ভগৱতী দেৱীক হাঁহ এটা বলি দিয়া হয়। ৰাইজে হৰিধ্বনি দি দেৱতাসকলক সেৱা জনায়। এনেদৰে গাৰ্জা পূজাৰ সামৰণি পৰে। পূজা শেষ হোৱাৰ পাছত বলি দিয়া হাঁহটো চাফা কৰি কাটি ভোগ বনাই গাঁওৰ ৰাইজে গ্ৰহণ কৰে।

ৰাজহুৱাভাৱে গাৰ্জা পূজা কৰাৰ পাছতহে ৰাইজে ঘৰে ঘৰে নবান্ন বা নখোৱা পাতে। গাঁওৰে কাৰোবাৰ ঘৰত বলিপ্ৰথা থাকিলে দেউৰীৰ হতুৱাই বলি দিয়ে। কিছুমানৰ ঘৰৰ থানশালীত বিষহৰী থাকিলে হাঁহ বলি দিয়ে, ৰাজাঠাকুৰ থাকিলে পাৰ চৰাই উচৰ্গা কৰে আৰু ভগৱতী দেৱী থাকিলে পাৰ বলি দিয়ে।

গাৰ্জা পূজা বৰ্তমান সময়তো কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰচলন দেখা যায়।

### ৩.০১.৬ লাখল / ৰাখাল ঠাকুৰৰ পূজা ঃ

কোচ-ৰাজবংশী লোকসকলৰ এটা উল্লেখযোগ্য পূজা হৈছে লাখল অথবা ৰাখাল ঠাকুৰৰ পূজা। ৰাখাল ঠাকুৰ মানে শ্ৰীকৃষ্ণকে বুজায়। হিন্দুধৰ্মৰ শাস্ত্ৰমতে নন্দৰজাৰ পুত্ৰ শ্ৰীকৃষ্ণই গৰু

চৰাইছিল। সেয়ে কৃষ্ণক স্মৰণ কৰি গৰু-গৰখীয়াৰ কল্যাণ কামনাৰে এই পূজা কৰা হয়। এই পূজা মূলত গৰুৰ পোৱালি জাগিলে অনুষ্ঠিত কৰা হয়। গৰুৰ পোৱালি জগোৱাৰ লগে লগে প্ৰথমে যি গাখীৰ খীৰোৱা হয় সেই গাখীৰ জুইত পগাই 'ফেচু' (ফেন্থ) নামৰ এবিধ সুস্বাদু খাদ্য প্ৰস্তুত কৰে। তাৰ পিছত গৃহস্থই ৰাখাল ঠাকুৰক প্ৰসাদ হিচাপে 'ফেচু' আগবঢ়ায়।

কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে যে ৰাখাল ঠাকুৰক পূজা নকৰিলে কেতিয়াবা গৃহস্থৰ গাই হেৰায় বা পোৱালি হেৰায়। তেওঁলোকে ভাবে যে এইটো ৰাখাল ঠাকুৰে লুকুৱাই থৈছে। গৃহস্থই গাই বিচাৰি বা পোৱালি বিচাৰি হাবাথুৰি খাব লগা হয়। সেয়ে কোচ-ৰাজবংশী লোকসকলে অতীতৰে পৰা বনৰীয়া জীৱ-জন্তুৰ পৰা ৰক্ষা পোৱাৰ লগতে গাই অথবা গাইৰ পোৱালি নিৰোগী হৈ থাকিবৰ বাবে ৰাখাল ঠাকুৰৰ পূজা কৰি আহিছে।

### ৩.০১.৭ মনসা পূজা / মাৰৈ পূজা / বিষহৰি পূজা ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে অতীতৰে পৰা পালন কৰি অহা পূজা-পাতলসমূহৰ ভিতৰত মনসা পূজা / মাৰৈ পূজা / বিষহৰি পূজা এক উল্লেখযোগ্য পূজা। মনসা বা পদ্মা সৰ্পৰ দেৱী। এই পূজা সৰ্প পূজাৰ এক উল্লেখযোগ্য নিদৰ্শন। এই দেৱীয়ে সৰ্পভয় নিবাৰণ আৰু সকলো অপায়-অমঙ্গল আঁতৰ কৰি উপাসকক আয়ু, যশ, ধন, গৌৰৱ দান কৰে বুলি বিশ্বাস কৰা হয়।

মাৰৈ বা বিষহৰি প্ৰতি ঘৰে ঘৰে পূজা কৰে বাবে ইয়াক কোচ-ৰাজবংশীলোকসকলে গৃহদেৱী বুলিও কয়। ঘৰৰ যিকোনো শুভকাম যেনে- বিয়া, অন্নপ্ৰাশন, নয়াখাওয়া আদিত কোচ-ৰাজবংশীসকলৰ সৰহসংখ্যকে সাধাৰণভাৱে হ'লেও বিষহৰিৰ পূজা দিয়ে। "*ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ ক্ষেত্ৰত পশ্চিম অসমৰ কোচ-ৰাজবংশী লোকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। কোচ-ৰজাসকলে অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ ভিতৰত মনসা পূজা উল্লেখযোগ্য। মনসা কাব্যসমূহ ৰচনাত কোচবংশীয় ৰজাসকলে যে অনুপ্ৰেৰণা যোগাইছিল তাৰ প্ৰমাণ বুৰঞ্জী, চৰিত সাহিত্যসমূহ দিয়ে।*"[১৭] এই প্ৰসংগতে মনকৰৰ পদ এফাঁকি উল্লেখ কৰিব পাৰি-

*"কমতাইৰ ৰজা বন্দো ৰাজা জল্লেশ্বৰ।*
*একশত মহিষী বান্দো ওঠৰ কোঁৱৰ।"-*

মনকৰৰ এই পদটোৱে কমতাৰ ৰজা বিশ্বসিংহক উল্লেখ কৰিছে। বিশ্বসিংহৰ ওঠৰজন কুমাৰৰ কথা দুৰ্গাবৰে আৰু দৰং ৰাজবংশাৱলীয়েও উল্লেখ কৰিছে। তাৰ উপৰিও মনকৰৰ ৰচনাত দুৰ্গাই কুঁচুনীৰ বেশত মহাদেৱৰ সৈতে ৰমণ কৰা চিকণাত হাট বেহোৱাৰ উল্লেখ থকাৰ পৰা আমি সহজে অনুমান কৰিব পাৰোঁ যে একশত মহিষী আৰু অষ্টাদশ কুমাৰযুক্ত কমতাইৰ ৰজা আন কোনো নহয়; বিশ্বসিংহহে।"[২০]

মাৰৈ পূজাৰ বিধি অনুসৰি এই পূজা তিনি প্ৰকাৰৰ-গোটা মাৰৈ, ৰাখল মাৰৈ আৰু কীৰ্ত্তন মাৰৈ। গোটা মাৰৈ তিনি-চাৰিদিনীয়া। ৩ দিন ৩ ৰাতি পূজা কৰি চতুৰ্থ দিনত পূজা শেষ কৰা হয়। লাখল মাৰৈ ডেৰ দিনত পূজা শেষ কৰা হয়। কীৰ্ত্তন মাৰৈ এদিনত শেষ হয়। এদিনতে শেষ হোৱা বাবে ইয়াকে এদিনীয়া মাৰৈ বুলিও কোৱা হয়।

মাৰৈ পূজা উপলক্ষে গৃহস্থই আগদিনাৰপৰাই নিৰামিষ আহাৰ তথা হবিচ খায়। আগদিনাই গংগাদেৱীক গৃহস্থই আৰাধনা আৰু নিমন্ত্ৰণ কৰি তামোল-পাণ আদিৰে সেৱা আগৰঢ়ায়। পূজাৰ সামগ্ৰীৰ ভিতৰত ঘট, বেলপাত, আমৰ পল্লৱ, ঘট মেৰিওৱা কাপোৰ, কলৰ আখি, তামোল-পাণ, দৈ, গুৰ, ঘি, মৌ, চেনি, পদুম ফুলৰ পাত, পদুম ফুলৰ গছৰ গুৰিৰ মাটি, আগলি কলপাত আদি মা-মনসা পূজাৰ অপৰিহাৰ্য অংগ। এযোৰ হাঁহৰ কণী পূজাত লাগিবই। যদি কোনো পৰিয়ালত পৰম্পৰাগতভাৱে বলি-বিধান চলি আহিছে তেন্তে বৰ্তমান সময়তো হাঁহ, পাৰ, পঠা ছাগলী আদি বলি দিয়া দেখা যায়।

"*মনসা তথা মাৰৈ পূজা উপলক্ষ্যে গোৱা গীত পদ প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি। মনসা বা পদ্মাৰ জন্মবৃত্তান্ত আৰু বেউলা আখ্যান। পদ্মাৰ জন্মখণ্ডত সৃষ্টি বৰ্ণনা, হৰ-পাৰৱতীৰ বিবাহ, পদ্মাৰ উৎপত্তি, চণ্ডীৰ লগত মনসাৰ বিৰোধ, মনসাৰ দেৱত্ব লাভ আৰু পূজা, প্ৰচলনৰ বিৱৰণ থাকে। দ্বিতীয় ভাগ অৰ্থ্যাৎ বেউলা আখ্যানত শিৱভক্ত চান্দ বা চন্দধৰ সাউদৰ লগত মনসাৰ বিৰোধ, চান্দৰ মনসা পূজা কৰিবলৈ অস্বীকাৰ, চন্দ্ৰধৰ ছয় পুত্ৰৰ সৰ্পদংশনত মৃত্যু, চন্দ্ৰধৰৰ বাণিজ্য নষ্ট, সপ্তম পুত্ৰ লক্ষীন্দাৰৰ জন্ম আৰু বেউলাৰ লগত বিবাহ, বিবাহৰ ৰাতি লখীন্দৰৰ সৰ্পদংশনত মৃত্যু, স্বামীৰ মৃতদেহ লৈ বেউলাৰ নৌকা যাত্ৰা, নেতাই ধুবুনীৰ সাহায্যতবেউহাল স্বৰ্গগমন আৰু দেৱসভাত নৃত্য-গীতৰদ্বাৰা মহাদেৱ, ইন্দ্ৰ আদিৰ সন্তুষ্টি বিধান,*

*দেৱতাৰ বৰত লখীন্দাৰকে আদি কৰি চন্দ্ৰধৰৰ সাত পুত্ৰৰ পুনৰ্জীৱন লাভ আৰু বেউলাৰ অনুৰোধত শেহান্তৰত চন্দ্ৰধৰে বাওঁহাতে পদ্মাক পূজা দিবলৈ স্বীকাৰ ইত্যাদি কথাৰ বিৱৰণ পোৱা যায়।"*[২১] মনসা পূজাৰ "গীতসমূহ মুখে মুখে প্ৰচলিত বাবে ইয়াকে 'মুখপুৰাণ' বুলিও কোৱা হয়।

*"মনসা বা মাৰৈ পূজাৰ গীতসমূহ দুটা পদ্ধতিত গোৱা হয়- (১) থিয় হৈ গোৱা গীত আৰু (২) বহি গোৱা গীত। গীতত এজন গীদাল, এজন ডাইনা পালি, দুজন বাইন বা বায়ন (খোল বজোৱা লোক), দুজন খুতি বজোৱা তালি আৰু কেইজনমান পালি বা পাইল মাৰৈ গান গোৱা দলত থাকে। পালিসকলৰ মুখ্যজনক ডাইনা পালি বুলি কোৱা হয়। ডাইনা পালিয়ে গীদালৰ গীতৰ আঁত ধৰাত সহায় কৰে। গীদালৰ হাতত চোঁৰৰ থাকে। চোঁৰৰ মূৰৰ ওপৰত দাণ্ডি দাণ্ডি গীত পৰিৱেশন কৰে। প্ৰয়োজন সাপেক্ষে গীদাল-বায়নেও দলীয় নৃত্যত অংশগ্ৰহণ কৰি নৃত্য কৰে। এই পূজাত দেউৰীয়ে মুখ্য ভূমিকা লয়।"*[২২] ইয়াৰ উপৰিও এগৰাকী দেওধনীও নৃত্য কৰে।

মাৰৈ পূজাত কুঁহিলাৰে নিৰ্মাণ কৰা 'টেপাৰি মধুচ' অপৰিহাৰ্য। এই পূজাত মধুচত মনসা দেৱী উপৰিও আনুষংগিক আৰু তেত্ৰিশ কৌটি দেৱতাৰ চিত্ৰ অংকন কৰা হয়। কুঁহিলাক কোচ-ৰাজবংশী লোকসকলে 'বোটলা' অথবা 'সোলা' বুলি কয় আৰু এই কুঁহিলাৰ কাৰিকৰসকলক 'মালী' বুলি কোৱা হয়। "মনসা মংগল বা বিষহৰী গীতত এই মালীৰ উল্লেখ পোৱা যায়-

*গোঁসাই বোলে মালী নবুসেন শুনহ ভাৰতী*
*ব্ৰহ্মাণী পূজিতে মন্দুস বানাও শীঘ্ৰগতি*
*কথা শুনি নবুসেন নাথাকিল ৰয়া*
*হাতে কাচি লৈয়া মালী বাইৰাইল ছাটিয়া।"*[২৩]

মনসা বা মাৰৈ পূজাৰ গীতৰ কিছু নিদৰ্শন আগবঢ়োৱা হ'ল-

(১)

*"ফুল নেও পূজাৰীসকল ফুল নেও হাতে।*
*শুদ্ধ মনে পূজা দেও পদ্মাৰ চৰণে।।*
*ফুল তুলে পূজাৰীসকল কণ্ঠি নিয়া হাতে।*
*বাছিয়া তুলোৰে ফুল পদ্মাক পূজিতে।।*

*ফুল বাছো পূজাৰীসকল চন্দনে লেপিয়া*

*যোৰ হাতে কৰো পূজাসকলে আসিয়া।*

*দুৰ্বা তুলো তুলসী তুলো তুলো ফুল হোলা।*

*আমাৰ পাতে সিজুৰ পাতে কৰো পদ্মাৰ পূজা।।'*'[২৪]

(২)

*"শুনেক শুনেক ওহে চান্দো, ওহে সদাগৰ*

*এলাও যদি বাচিবাৰ চাইস তুই*

*মোৰে পূজা কৰ ওহে চান্দো ওহে সদাগৰ।।*

*মোকে নাভজিয়াৰে তুই ভজিস কৈলাশপতি*

*চৈধ্য ডিঙা ডুবাইমৰে মুই*

*সোনাৰ চাইলন বাতি।*

*শুনেক ওহে চান্দো, ওহে ৰাজপতি*

*ধনজন তোৰ নাৰাখিমৰে মুই*

*তোৰ বংশত দিবাৰ বাতি।।*

*মোৰ পূজা দিলেৰে চান্দো তোৰ ৰাখিন কুল*

*আৰ কোনো ধন নাচাংৰে মুই*

*দিস বাম হাতে ফুল।।'*'[২৫]

**৩.০১.৮ সোণাৰায় পূজা ঃ**

কোচ-ৰাজবংশী লোকসমাজত পূৰ্বৰেপৰা প্ৰচলিত পূজা-পাতলসমূহৰ ভিতৰত সোণাৰায় পূজা এটি উল্লেখযোগ্য পূজা। সোণাৰায় পূজা মূলতঃ বাঘ পূজা বা বাঘ্ৰদেৱতাৰ পূজা। কোচ-ৰাজবংশী লোকসকলে আদিৰে পৰাই প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল তথা প্ৰকৃতিক পূজা কৰিছিল। জগতত যেনেদৰে সৃষ্টি আছে তেনেদৰে ধ্বংসও আছে। য'ত ধ্বংস আছে তাত ভয় আৰু ভক্তিও আছে। লোকজীৱনৰ এনে যুক্তিৰ ভিত্তিতেই সোণাৰায় পূজাৰ উদ্ভৱ বুলি ক'ব পাৰি।

বাঘ পূজা অর্থ্যাৎ সোণাৰায় পূজাৰ অতীত বিশ্লেষণ কৰিলে দেখা যায়, যে ইয়াৰ এক প্ৰাচীন ঐতিহ্য আৰু পৰম্পৰা আছে। লোকসমাজ হ'ল প্ৰকৃতি নিৰ্ভৰশীল। অতীতৰ আদিম মানৱকূল প্ৰকৃতিৰ পৰিবেষ্টনীৰ মাজত থাকিয়েই জীৱন নিৰ্বাহ কৰিছিল আৰু সেয়েহে হাবি-বননিৰ মাজত থাকি পাহাৰ-পৰ্বত, নৈ-নিজৰাৰ ওপৰত নিৰ্ভৰ কৰি দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বাধ্য হৈছিল। অতীতৰ সমতল ভূমিবোৰ বন-জংগলেৰে আৱৰি আছিল আৰু এইবোৰ আছিল বাঘ, হাতী, মই, গাহৰী আদি বিবিধ জন্তুৰ লীলাভূমি। ইয়াৰ ফলত বনৰীয়া জন্তুবোৰ মানুহৰ প্ৰতিবেশী হৈ পৰিছিল। বিশ্বাসপ্ৰৱণ আদিম মানৱে প্ৰকৃতিৰ ভয়াবহ জন্তুবোৰৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ বাবে যাদুশক্তিৰ দ্বাৰা ইয়াক অধীন কৰিবলৈ চেষ্টা কৰিছিল আৰু তাৰ পৰিণতিতেই ভয়াবহ জীৱ-জন্তুবোৰে দেৱতা বা দেৱীৰূপে স্থান পাইছে। তাৰেই ভিতৰত উল্লেখযোগ্য আছিল জংঘলৰ আটাইতকৈ হিংস্ৰ প্ৰাণী বাঘ। বাঘৰ পৰা আদিম মানুহৰ জীৱনলৈ প্ৰতি মুহুৰ্ততে আহি পৰিছিল ভয়, শংকা আৰু মৃত্যুৰ বিভীষিকা। সেয়েহে আদিম লোকসকলে প্ৰাণৰ ভয়ত বাঘক দেৱত্ব আৰোপ কৰি দেৱতাৰূপে পূজিবলৈ আৰম্ভ কৰিছিল।

কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে যে সোণাৰায় পূজা কৰিলে গৰু, ছাগলী, ম'হ আদি পোহনীয়া জন্তু নিৰাপদে থকাৰ উপৰিও গৃহস্থৰ মংগল হয়। তেওঁলোকৰ গৰু, ছাগলী, শস্য আৰু গৰখীয়াক বাঘে আক্ৰমণ কৰে। সেয়ে কৃষিজীৱী লোকসমাজতহে সোণাৰায় পূজা সীমিত। কৃষক আৰু কৃষিৰ লগত সোণাৰায় পূজাৰ সম্পৰ্ক ঘনিষ্ঠ।

আঘোণ মাহৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি গোটেই পুহ মাহ ধৰি গাওঁৰ সৰু ল'ৰা, ডেকা ল'ৰাবোৰে দল বান্ধি প্ৰতিঘৰ লোকৰ পৰা মাগন কৰি পোৱা ধনেৰে পুহ মাহৰ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা পাতে আৰু ভোজভাত খায়। সোণাৰায় পূজাৰ মাগন কৰাৰ আগতে প্ৰথমতে সোণাৰায় নিৰ্মাণ কৰি লোৱা হয়। তাৰ বাবে তিনিটা অথবা পাঁচটা অথবা সাতটা 'মদুৱা' (এবিধ বিৰিণা) দীঘলীয়াকৈ কাটি লৈ মৰাপাটেৰে একেলগে জোটাই বন্ধা হয়। 'মদুৱাৰ' মুঠিটোৰ এমূৰত মৰাপাটেৰে ফুল তৈয়াৰ কৰি লগায় আৰু আন অংশটো মালাৰ নিচিনাকৈ আঁৰি লোৱা হয়। এই ফুলবোৰত ৰঙা, নীলা, বগা এই তিনি প্ৰকাৰৰ ৰং ব্যৱহাৰ কৰা হয়। এয়াই হ'ল সোণাৰায় 'ডৰ' (ডোৰ) অথবা সোণাৰায় ঠাকুৰৰ প্ৰতীক। এই প্ৰতীক কান্ধত ওলোমাই লৈ গোটেই পুহ মাহ ঘৰে

ঘৰে সোণাৰায়ৰ গীত গাই মাগি ফুৰে। এনেদৰে মাগন কৰি পোৱা দান-দক্ষিণাৰে পুহ মাহৰ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা পাতে। উল্লেখযোগ্য যে এই পূজা নৈৰ পাৰত অথবা পথাৰত পাতে। এই পূজাত সোণাৰায় 'ডৰ'ৰ বাহিৰে ধীৰেণ দাসে 'গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত' শীৰ্ষক কিতাপখনত উল্লেখ কৰিছে যে থিয় কৈ পুতি থোৱা সোণাৰায় ঠাকুৰলৈ ডেকাবোৰে প্ৰথমতে প্ৰসাদ আগবঢ়াই ভক্তি কৰে। তাৰ পিছত 'লগ ভাত' খাই উক্ত সোণাৰায় নদীত ভহাই ঘৰমূৰা হয়। এইখিনিতে উল্লেখ কৰা প্ৰণিধানযোগ্য যে সোণাৰায় পূজা পুৰুষপ্ৰধান অনুষ্ঠান।

সোণাৰায় পূজাৰ গীতৰ কিছু নিদৰ্শন আগবঢ়োৱা হ'ল-

*(১)*

*"দাদা বলোৰাম হে, হাসিয়া কথা কয়,*
*দু:শাসনী বাঘ লয়া নামিল সোণাৰায়,*
*বাঘ নামিলৰে অৰে চিতিয়া পাখেৰা*
*ভোৰ বিহানে নামিল বাঘ মানুষ কামেৰা।"*[২৬]

*(২)*

*'সত্য ঠাকুৰ সোণাৰায় গাই ৰক্তক দেতুই বৰ*
*ধনে বংশে বাৰুক গিৰি চন্দ্ৰ দিবাকৰ।*
*গোলীত বাৰুক গাই গৰু গোলাত বাৰুক ধান*
*দেওৱানে দৰবাৰে পাউক বাটা ভৰা পান।*
*গোলীত বাৰুক গাই গৰু জঙ্গলে বাৰুক লাউ*
*গিৰি ঘৰেৰ শত্ৰু দুযমন বনেৰ বাঘে খাউক।"*[২৭]

*(৩)*

*"সত্য ঠাকুৰ সোণাৰায় গায়*
*ৰক্ত দে তুই বৰ*
*ধনে বংশে চন্দ্ৰ দিবাকৰ*

*ঠাকুৰ সোণাৰায় হে।*

*অ ঠাকুৰ সোণাৰায় গায়*

*আমিত্ত তোৰ কাৰণে ঘুৰিয়া আছো*

*বিপদ যেন আমাৰ নাহয়*

*ঠাকুৰ সোণাৰায়।*”[২৮]

### ৩.০১.৯ সুবচনী পূজা ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত পূজা-পাতলসমূহৰ ভিতৰত সুবচনী পূজা অন্যতম। সুবচনী পূজা বিশেষকৈ কোচ-ৰাজবংশী নাৰী সমাজত প্ৰচলিত। “*সুবচনী শব্দৰ অৰ্থ হ'ল সু-ভাল আৰু বচন-কথা অৰ্থ্যাৎ যি দেৱীৰ প্ৰতিটো কথা (বচন) শুভ বা মংগলময় সেই দেৱীক সুবচনী দেৱী বুলি কোৱা হয়।*”[২৯] সুবচনী দেৱী বেদ বা পুৰাণৰ দেৱী নহয়, ই এক লৌকিক দেৱীহে। এই পূজা শক্তি মাতৃৰ পূজাৰ এক অনন্য ৰূপ। সুবচনী পূজা কৰিলে কোনে কামতে বাধা বিঘিনী বা অপায় অমংগল নহয় বুলি কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন আছে। বিশেষকৈ ল'ৰা-ছোৱালীৰ বিয়া ঠিক কৰা, কোনো মোকৰ্দ্দমা থাকিলে, ল'ৰা-ছোৱালীৰ চাকৰিৰ ক্ষেত্ৰত, সন্তানহীনাই সন্তানৰ কাৰণে, পৰীক্ষাৰ্থীয়ে ভাল ফল পোৱাৰ ক্ষেত্ৰত সুবচনী দেৱীক পূজা দি মানস কৰে আৰু মনোকামনা পূৰণ হ'লে সুবচনী দেৱীক পূজা দিয়ে।

সুবচনী পূজা আঘোণ মাহৰ শুক্লপক্ষত কৰা হয় যদিও বৰ্তমান সময়ত যিকোনো শনিবাৰ, মংগলবাৰে অনুষ্ঠিত কৰে। সুবচনী পূজা দুই ধৰণে কৰা হয়-

১) সুবচনী গুৱা সজা।

১) সুবচনী মূৰ্ত্তি পূজা।

কোকৰাঝাৰ আৰু চিৰাং জিলাত থকা কোচ-ৰাজবংশী লোকসকলৰ বেছিভাগে সুবচনী গুৱা সজা পূজা কৰা দেখা যায়। পূজাৰ দিনা গৃহস্থই ঘৰ-দুৱাৰ, চোতাল আদি ভালদৰে মচি চিকুণাই লয়। পূজাৰ বাবে চোতালৰ উত্তৰ দিশত নিৰ্দ্দিষ্ট কৰা স্থানত গোবৰ পানীৰে লেপি চাউলৰ গুড়িৰে বৰ্গাক্ষেত্ৰাকাৰ মণ্ডপ অকাঁ হয়। মণ্ডপত আসন পাতি লোৱা হয়। সুবচনী পূজাৰ উপকৰণবোৰ হৈছে- ধান, আৰৈ চাউল, তিল, পিঠাগুড়ি, তামোল-পাণ, কল, ঘট, চাকি, সেন্দূৰ,

চেনি, দৈ, গাখীৰ, মৌ, ঘি আদি। ইয়াৰ উপৰি পূজাৰ স্থানত মাটিত সৰু গাঁত খুন্দি পুখুৰী তৈয়াৰ কৰা। সেই পুখুৰীৰ পানীত গাখীৰ, দৈ, মৌ, ঘি আদি দিয়া হয়। পিঠাগুড়িৰে হাঁহৰ ছবি অকা হয়। হাঁহৰ কণীৰো প্ৰয়োজন হয়। এনেদৰে সকলোবোৰ উপকৰণেৰে পূজা আৰম্ভ কৰে। এই পূজাত কোনো পুৰোহিত নাথাকে। পূজা কৰাৰ বাবে গাঁওৰে অভিজ্ঞ মহিলা থাকে। এইখিনিতে উল্লেখযোগ্য যে "*সুবচনী পূজাৰ কথা শুনিলেই গৃহস্থই নামাতিলেও পূজাথলীত যাব লাগে বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাসৰ প্ৰচলন আছে।*"[৩০] পূজাত মহিলাগৰাকীয়ে সুবচনী দেৱীৰ জন্ম বৃত্তান্তৰ পৰা আৰম্ভ কৰি ইয়াৰ মাহাত্ম্য আৰু সমাজত এই পূজাৰ প্ৰচলন কেনেকৈ হ'ল সেই সকলোবোৰ কথা আখ্যানৰ মাজেদি কৈ যায় আৰু বাকী তিৰোতাসকলে শুনি যায় আৰু মাজে মাজে উৰুলি দিয়ে। সুবচনীৰ ব্ৰত কথা তথা আখ্যানসমূহ শেষ হ'লে প্ৰতিগৰাকীৰ মূৰত তেল আৰু কপালত সেঁন্দুৰ লগাই দি ৰং ধেমালি কৰে। দিনৰ ভাগতে সুবচনী পূজা শেষ কৰা হয়।

ইয়াৰ উপৰিও কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে অতীতৰে পৰা মাশান পূজা, যাত্ৰা পূজা, ঠাকুৰাণী পূজা আদি পৰম্পৰাগতভাৱে পাতি আহিছে আৰু এইবোৰ পূজা-পাতলৰ জৰিয়তে কোচ-ৰাজবংশীসকলে জাতীয় অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছে।

## ৩.০২ কোচ-ৰাজবংশী লোকসকলে পালন কৰা উৎসৱ-পাৰ্বণৰ সৈতে জড়িত লোকাচাৰ ঃ

সামাজিক লোকাচাৰৰ এক অন্যতম শাখা হৈছে উৎসৱ-অনুষ্ঠান। কৃষিমুখী গ্ৰাম্যজীৱনৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পূজা-পাৰ্বণ, গীত-পদ, নৃত্য আদি উপাদান সমূহক মাধ্যমৰূপে লৈ জনসাধাৰণে তেওঁলোকৰ মাজত যিবিলাক অনুষ্ঠান পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰি আহিছে সেইবিলাকক উৎসৱ বুলি অভিহিত কৰা হয়। মানুহে কঠোৰ পৰিশ্ৰমেৰে ধাননি পথাৰক শস্য-শ্যামলা কৰাৰ পৰা উদ্ভূত আনন্দ আৰু উৎসাহ উদ্দীপনাত উৎসৱ পাতে।

উৎসৱ-অনুষ্ঠানসমূহত মানৱ জীৱনৰ ছবি প্ৰতিফলিত হয়। উৎসৱ অনুষ্ঠানৰ মাজেদিয়ে কোনো জাতি বা সম্প্ৰদায়ৰ সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱন ধাৰাৰ নিদৰ্শন অনুধাৱন কৰিব পৰা যায়। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ

বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত বিষুৱা, কাতি গাছা, আগ আনা, নয়াখাওৱা, পুষণা / দোমাসী, মথনখেলা / কাদং ভাওনা, বাসুগাঁও ৰাজাচাৰাঙৰ শ্ৰী শ্ৰী ৰাজাঠাকুৰ দৌল দেৱালয়ৰ দৌল উৎসৱ, কালীপুখুৰী লালটাৰীৰ ৰাজাঠাকুৰ মন্দিৰৰ দৌল উৎসৱ, হইট্টাকি / নষ্টচন্দ্ৰ, অম্বুবাচী, অ'ৰি মাগা ইত্যাদি উল্লেখযোগ্য।

### ৩.০২.১ বিষুৱা ঃ

কোচ-ৰাজবংশী লোকসমাজত অতীতৰে পৰা প্ৰচলিত উৎসৱ অনুষ্ঠান সমূহৰ ভিতৰত এক অন্যতম উৎসৱ হ'ল বিষুৱা উৎসৱ। কোচ-ৰাজবংশী লোকসকলে চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা বহাগ মাহৰ ছয় দিন পৰ্যন্ত বিষুৱা উৎসৱ পালন কৰে। এই উৎসৱ সাত দিন ধৰি পালন কৰা হয় বাবে ইয়াক 'সাত বিষুৱা' বুলিও কোৱা হয়। সাত বিষুৱাৰ প্ৰতিটো দিনক বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হয়। এইবোৰ হ'ল-

১) গৰু বিষুৱা।

২) মানষি বিষুৱা।

৩) গুষ্ঠি বিষুৱা।

৪) সাতশাকী বিষুৱা।

৫) বাহো বিষুৱা।

৬) শিকাৰ বিষুৱা।

৭) দেও বিষুৱা।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰু বিষুৱা বুলি কোৱা হয়। উক্ত দিনা কোচ-ৰাজবংশী লোকসকলে দোকমোকালিতে উঠি বাহীমুখে হাবি বননিলৈ বনৌষধি তুলিবলৈ যায়। যেনে- বিষঢেঁকীয়াৰ পাত, বাসক তিতা (বাহক তিতা), দীঘলতিৰ পাত, মাখিয়তীৰ পাত, 'ভেটোমালী', 'গুদ্দেৰ পাখা', 'কাতিৰিৰ ফুল', 'কানহিছাৰ পাত' (দোৰোণ ফুলৰ পাত), বেতৰ পাত, 'কেঁৰাৰ কাটা', মহানিমৰ পাত, বিষকুতুলীৰ পাত (বিহলঙনি) আদি। এই বনৌষধিখিনি গোটেইবোৰ একেলগে কৰি সৰু সৰু মুঠা বা থোপা বান্ধে। এই বনৌষধিমূলক মুঠাবোৰক 'আপ-ঝাপ' অথবা 'বিষমাও' বোলা হয়। এনে আপ-ঝাপবোৰ ঘৰৰ দুৱাৰমুখত, বাৰান্দাত, গোহালিত, ভঁৰালত,

তাঁতশালত, মন্দিৰত, কুঁৱা, দমকল আদিত বান্ধি দিয়ে। এনে বিষমাও বা আপ-ঝাপৰ পৰা নিৰ্গত হোৱা গোন্ধই বসন্ত ঋতুৰ প্ৰভাৱত সৃষ্টি হোৱা বিভিন্ন বেমাৰ আজাৰৰ পৰা মানুহক ৰক্ষা কৰে বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাসৰ প্ৰচলন আছে। ইয়াৰ উপৰিও এনে কৰিলে গৃহস্থই ঘৰ-বাৰী আদি ধুমুহা, বতাহ, বৰষুণ, শিলাবৃষ্টি আদিৰ পৰাও ৰক্ষা পৰে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

চ'তৰ সংক্ৰান্তিৰ দিনা 'তিতা-কাসা' খোৱা হয়। ইয়াৰ বাবে কেঁচা হালধি, বাহক তিতাৰ পাত, নিম তিতাৰ পাত, দোৰোণ ফুলৰ পাত আদি পিহি লৈ ৰস উলিয়াই 'তিতা-কাসা' খোৱা পৰ্বটো পালন কৰা হয়। এনেদৰে 'তিতা কাসা' খালে সাপৰ দংশনৰ পৰা হাত সাৰিব পাৰি বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

গৰু বিষুৱাৰ দিনা পানী লাও, বেঙেনা, কেঁচা হালধি আদি সামগ্ৰী বাঁহৰ তেৰালত গুঠি গৰুক মালা পিন্ধোৱা হয়। উক্ত দিনা গৰুক এছাৰিৰে নোৱাই দীঘলতিৰ পাতেৰে কোবাই কোবাই নদী, বিল, পুখুৰী আদিত গা ধুৱাবলৈ লৈ যায়। এনেদৰে গৰু বিষুৱা পালন কৰা হয়।

**মানষি বিষুৱা ঃ**

ব'হাগ মাহৰ প্ৰথম দিনটো কোচ-ৰাজবংশী লোকসকলে মানষি বিষুৱা হিচাপে পালন কৰে। উক্ত দিনা গৃহস্থৰ সকলোৱে পুৱাতে উঠি মাহ-হালধি সানি গা ধুই নতুন কাপোৰ পিন্ধে। সৰুৱে ডাঙৰক আংছা, গামছা আদি দি সেৱা জনায় আৰু ডাঙৰে সৰুক মৰম চেনেহ যাচে।

**গুষ্টি বিষুৱা ঃ**

ব'হাগৰ দ্বিতীয় দিনটোক 'গুষ্টি বিষুৱা' বুলি কোৱা হয়। সেইদিনা ঘৰৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱী সকলক ঘৰত এসাঁজ ভাত খাবলৈ আমন্ত্ৰণ জনোৱা হয়।

**সাতশাকী বিষুৱা ঃ**

কোচ-ৰাজবংশী লোকসকলে ব'হাগৰ তৃতীয় দিনটোক সাতশাকী বিষুৱা হিচাপে পালন কৰে। উক্ত দিনা গৃহস্থৰ তিৰোতাসকলে ৰাতিপুৱাই বাৰীৰপৰা শাক বিচাৰি আনে আৰু সাতপ্ৰকাৰৰ শাক একেলগে ৰান্ধি খায়। ঢেঁকীয়া, পুন্দি, কচুৰ পাত, জোঙা, বেতেৰ গাজা, পাতা, মানিমুনি, কানহিছাৰ আগ।

## বাহো বিষুৱা ঃ

ব'হাগ মাহৰ চতুৰ্থ দিনটোক বাহো বিষুৱা বুলি কয়। সেইদিনা গাঁওৰ সকলো ডেকা-ডেকেৰী বুঢ়া-বুঢ়ী, ল'ৰা ছোৱালীয়ে মিলি সমূহীয়াভাৱে নদী, বিল, জলাশয় আদিত মাছ মাৰে আৰু সকলোৱে তৃপ্তিৰে এসাঁজ খায়।

## শিকাৰ বিষুৱা ঃ

কোচ-ৰাজবংশী লোকসকলে ব'হাগৰ পঞ্চম দিনা 'শিকাৰ বিষুৱা' হিচাপে পালন কৰে। উক্ত দিনা গাঁওৰ ডেকা-বুঢ়া মিলি ওচৰৰ হাবিত হৰিণা, শহাপহু চৰাই আদি চিকাৰ কৰি সকলোৱে ভোজভাত খায়।

## দেও বিষুৱা ঃ

ব'হাগ মাহৰ ষষ্ঠ দিনা হৈছে দেও বিষুৱা। সেইদিনা ঘৰৰ পূজনীয় দেৱ-দেবীসকলক পূজা- অচৰ্না কৰে, নাম-কীৰ্ত্তন কৰে। দেও বিষুৱাৰ দিনা তৰা গছ (পুন্দি / কুন্দি) জঙা কচু, আমৰ ফল, কচুৰ পাত, ঢেঁকীয়া, শুকাতি আৰু বেতৰ গজা-এই সাত প্ৰকাৰৰ দ্ৰব্য খোৱাৰ নিয়ম। ইয়াক 'সাতশুকাতি' বুলি কোৱা হয়। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত কোৱা হয়। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকবিশ্বাস মতে, এই সাত শুকাতি খোৱাজনৰ দেহত বিষ বেদনাৰ উপশম হয়। এনেদৰে কোচ-ৰাজবংশী লোকসকলে 'সাত বিষুৱা' পালন কৰে।

বিষুৱাৰ লগত সংগতি ৰাখি যিবোৰ তৰু-লতা ফল-ফুল পৰম্পৰাগত ৰীতি মতে ব্যৱহাৰ কৰা হয়; তেনে তৰু-লতা, ফল-ফুলৰ ঔষধি গুণ যথেষ্ট। আধুনিক চিকিৎসা বিজ্ঞানেও লোকচিকিৎসাৰ লগত জড়িত ঔষধি গুণযুক্ত তৰু-লতা, ফল-ফুলৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। গতিকে বিষুৱাৰ লোকাচাৰৰ মাজত বৈজ্ঞানিক গুণগত তাৎপৰ্য যথেষ্ট আছে।

## ৩.০২.২ কাতি গাছা ঃ

কোচ-ৰাজবংশী লোকসকল কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়ে জীৱন ধাৰণ কৰে। সেয়ে কৃষিৰ মংগলৰ হেতু বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ অনুষ্ঠান উদ্যাপন কৰে। সেইবোৰৰ ভিতৰত 'কাতিগাছা' এক অন্যতম অনুষ্ঠান ব'হাগ মাহৰ পৰা ভাদ মাহলৈকে কোচ-ৰাজবংশীসকলে শালি খেতি কৰে। আহিন আৰু কাতি মাহত খেতি পথাৰ লহপহকৈ বাঢ়ি শস্য শ্যামলা হৈ পৰে।

তেতিয়া সেই খেতিডৰাত যাতে কীট-পতংগ, পোক-পৰুৱা, বিভিন্ন ৰোগ আদিয়ে একো অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে আহিন মাহৰ সংক্ৰান্তিৰ দিনা 'কাতিগাছা' পালন কৰে।

কাতিগাছাৰ দিনা ৰাতিপুৱাই গৃহস্থই ঘৰ-দুৱাৰ চোতাল মচি চাফ-চিকুণ কৰে। চোতালত নতুনকৈ এডাল তুলসী গছ ৰোপণ কৰে। উক্ত দিনা কোচ-ৰাজবংশী লোকসকলে পাঁচকল / পাঁচখল টেঙাৰ (ঔটেঙাৰ) খলপত চাকি জ্বলোৱাটো এটা প্ৰথা। "*এই পাঁচখলত নিহিত থকা বিশ্বাস কৰা পঞ্চভাৱ হ'ল- শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ ভাৱ।*"[৩১] সেয়ে দিনৰ ভাগতে পাঁচখল টেঙাৰ খলপবিলাক উলিয়াই ভালদৰে ধুই থৈ দিয়ে। সন্ধিয়া হোৱাৰ লগে লগে প্ৰথমতে তুলসী গুৰিত এগছি চাকি জ্বলায়। তাৰ ওচৰতে এখন আগলতি কলপাতত নতুন বান্নী এটাৰ (বাঢ়নী) থিয়কৈ বহুৱাই থৈ কলপাতত সেন্দূৰৰ ফোঁট দি তাত এযোৰ তামোল-পাণ দি এগছি বন্তি প্ৰজ্বলন কৰে। কিছুমানে প্ৰসাদ আগবঢ়ায় আৰু কিছুমানে এনেকৈয়ে লক্ষ্মীদেৱীক আৰাধনা কৰে। বান্নীটাৰক লক্ষ্মীদেৱীৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। এই বান্নীটাৰেৰে পিছলৈ প্ৰথমবাৰ ধান মৰণা মৰাৰ সময়ত ধান সাৰিবৰ বাবে ব্যৱহাৰ কৰি ভঁৰাল ঘৰত সুমুৱাই থয়। ইয়াৰ পিছত ঔটেঙাৰ খলপাত ২-৩ ফুট ওখকৈ কটা বাঁহৰ কাঠি গুজি দি গাছা হিচাপে ব্যৱহাৰ কৰি চোতালত, ঘৰৰ পদূলিমুখত, ভঁৰালৰ দুৱাৰ মুখত, কুঁৱাৰ পাৰত, তামোলবাৰীত, ধাননি পথাৰ, দেওশালী আদি সকলো স্থানতে চাকি জ্বলাই পোহৰাই তোলে। এইখিনিতে উল্লেখযোগ্য যে কাতি গাছাৰ দিনা ঘৰৰ মুৰব্বীজন অৰ্থ্যাৎ পুৰুষেহে ধাননি পথাৰত চাকি জ্বলোৱাটো কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত পুৰণি প্ৰথা। ধাননি পথাৰত জ্বলোৱাৰ সময়ত ডাঙৰৰ লগতে সৰু ল'ৰা ছোৱালীয়ে চিঞৰি চিঞৰি কেতবোৰ গীত জুৰে। তলত সেইবোৰৰ এটি নিদৰ্শন আগবঢ়োৱা হ'ল-

*"দৌল দৌল দৌল দৌল*
*লোকেৰ ধান আউল ঝাউল*
*আমাৰ ধান মৰখা চাউল।"*[৩২]
*"দৌল দৌল দৌল দৌল*
*লোকেৰ গৰু লেৰা ফেৰা*

*আমাৰ গৰু ভৈসেৰ (ম'হৰ) ফেৰা।"*[৩৩]

*"দৌল দৌল দৌল দৌল*

*লোকেৰ গুৰা টুনীয়া মুনীয়া*

*আমাৰ গুৰা বেলেৰ হেনা।"*[৩৪]

*"দৌল দৌল দৌল দৌল*

*লোকেৰ পাণ নাকাৰেৰ (মেকুঁৰীৰ) কাণ*

*আমাৰ পাণ কুলাৰ সমান।"*[৩৫]

*"দৌল দৌল দৌল দৌল*

*লোকেৰ ভাণ্ডাৰ লৰে চৰে*

*আমাৰ ভাণ্ডাৰ ঠাইতে ভৰে।"*[৩৬]

এনেকৈ পালন কৰা অনুষ্ঠানে এটা উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি কৰে। এনে পৰম্পৰা অতীতৰেপৰা কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন হৈ আহিছে।

### ৩.০২.৩ আগ আনা ঃ

কোচ-ৰাজবংশী লোকসকলে আঘোণ মাহত পালন কৰা অন্য এক অনুষ্ঠান হ'ল 'আগআনা'। আঘোণ মাহৰ আৰম্ভণিৰ পৰা কোচ-ৰাজবংশী লোকসমাজত 'আগ আনা' পৰ্বটো পালন কৰা দেখা যায়। বৰ্তমান সময়ত বিভিন্ন প্ৰজাতিৰ ধান আছে যদিও পূৰ্বতে শালি ধানৰ খেতিয়ে প্ৰধান আছিল। শালি ধান আঘোণ মাহত পকিবলৈ ধৰে। সেয়ে কোচ-ৰাজবংশী লোকসকলে পথাৰৰ পকা ধানত প্ৰথম কাঁচি লগাই ভক্তি ভাৱেৰে ধানৰ আগ আনিবলৈ 'আগ অনা' অনুষ্ঠানটো ঘৰুৱা ভাৱে পালন কৰে।

'আগ আনা' ঘৰলৈ কৃষি চপোৱাৰ তথা লখিমী আদৰৰ আৰম্ভণি আৰু মাংগলিক প্ৰথা। আঘোণ মাহৰ আৰম্ভণিৰ পৰা শুভবাৰ যেনে- সোম, বুধ, বৃহস্পতিবাৰ, শুক্ৰবাৰ আদি চাই ঘৰলৈ আগ আনা হয়। অৱশ্যে একাদশী, অমাৱস্যা, মংগলবাৰ, শনিবাৰ আদি দিনত আগ আনা নহয়।

আগ আনা দিনাখন গৃহস্থই পুৱাতে ঘৰ দুৱাৰ চোতাল গোবৰেৰে মচি শুদ্ধি কৰি লয়। আগ আনাজন গা-পা ধুই নতুন কাপোৰ পৰিধান কৰি একো নোখোৱাকৈ আগ আনিবলৈ পথাৰলৈ

যায়। যাওঁতে এখন কুলাত দুখন আগলতি কলপাত, চাকি বা ধূপ, সেন্দূৰ, ফুল, এখন কাঁচি, এযোৰ তামোল পাণ, দিয়াচলাই আদি লৈ মূৰত নতুন কাপোৰ লৈ ওপৰত কুলাখন লৈ যায় আৰু হাতত এটা লোটাত তুলসী, সোণ-ৰূপৰ পানী নিয়ে। পথাৰলৈ গৈ পোৱাৰ পিছত মূৰৰ পৰা কুলাখন নমাই প্ৰথমতে তিনি গছা ধান একেলগে বান্ধি লয়। তাৰ পিছত সেই ঠাইখিনি লোটাটোৰ পৰা পানী ছটিয়াই শুদ্ধ কৰি লৈ তাত এখন আগলতি কলপাত পাৰি সেন্দূৰৰ ফোঁট লগায়, এযোৰ তামোল পাণ ৰাখি চাকি বা ধূপ জ্বলায়, ফুল ছটিয়াই লক্ষ্মী দেৱীক প্ৰাৰ্থনা কৰি সেৱা জনায়। সেৱা জনোৱাৰ পিছত বাঁওহাতেৰে ধানৰ গছাখিনি ধৰি সোঁহাতেৰে কাঁচিখনেৰে কাটে। কটা ধানখিনি কুলাত থকা আগলতি কলপাতত থয় আৰু মূৰত কুলাখন লৈ ঘৰমুৱা হয়। এইখিনিতে উল্লেখযোগ্য যে ঘৰলৈ ওভতাৰ সময়ত বাটত কাৰো লগত কথা পাতিব নালাগে আৰু পিছলৈও ঘূৰি চাব নালাগে। এনে কৰিলে লক্ষ্মী দেৱীৰ খং উঠে আৰু পথাৰলৈ আকৌ উভতি যায় বুলি কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীন কালৰেপৰা লোকবিশ্বাসৰ প্ৰচলন আছে। ধানৰ আগ অনাজন ঘৰৰ পদূলিমুখ পোৱাৰ লগে লগে ভৰি ধুই পাকঘৰলৈ সোমাই যায়। ঘৰৰ ভিতৰত সোমোৱাৰ সময়ত ঘৰৰ কোনোবা এজনে পাকঘৰৰ লোটাটোৰ পানীখিনি ছটিয়াই দিয়ে। এই পানীখিনি চালৰ পৰা পৰি থকা অৱস্থাত আগ অনাজনে পাকঘৰৰ ভিতৰলৈ সোমাই যায়। পাকঘৰৰ ভিতৰত লক্ষ্মীদেৱীৰ থাপনাত আগৰে পৰা এডাল কাঠৰ খুঁটি পোতা থাকে আৰু তাতে ধানৰ আগখিনি কলপাতেৰে মেৰিয়াই বান্ধি থোৱা হয়।

আগ আনা কাৰ্যটি সাধাৰণতে দিনৰ আগভাগতে সম্পন্ন কৰা হয়। ঘৰৰ মূল পুৰুষজনেহে আগ আনা কাৰ্যটো কৰে। আগ আনাৰ পিছৰেপৰা পথাৰত ধান কটা আৰু ঘৰলৈ ভাৰ অনা কাৰ্যবিলাক আৰম্ভ কৰে।

‘আগ আনা’ অনুষ্ঠানটিৰ ক্ষেত্ৰত অঞ্চলভেদে কিছু পাৰ্থক্য পৰিলক্ষিত হয়। একেখন কোকৰাঝাৰ জিলাৰ অন্তৰ্গত বালাগাঁও, ডিয়াঝিঝিৰী আদি অঞ্চলত আগ আনিবলৈ যাঁওতে কুলাত চাউলৰ গুড়ি, যাত্ৰাছিছিৰ পাত, সিৰখাতি, প্ৰসাদ, পাথালী (প্ৰসাদ দিয়া পাত) আদি সামগ্ৰী লৈ যায়। যিটো নিয়ম অন্যান্য অঞ্চলসমূহত দেখা নাযায়।

## ৩.০২.৪ পুষুণা / দোমাসী ঃ

কোচ-ৰাজবংশী লোকসকলে পালন কৰা উৎসৱ সমূহৰ ভিতৰত পুষণা বা দোমাসী অন্যতম। পুষুণা অথবা দোমাসী কোচ-ৰাজবংশীসকলৰ কৃষিভিত্তিক উৎসৱ। তেওঁলোকে পুহ মাহৰ সংক্ৰান্তিত আৰু মাঘ মাহৰ প্ৰথম দিনা পুষুণা অথবা দোমাসী পালন কৰা হয়। দোমাসী মাঘ বিহুৰ সমধৰ্মী উৎসৱ।

পুষুণা মূলত ধান খেতি চপোৱাৰ পাছত পতা উৎসৱ। বহু কষ্টেৰে আৰু শ্ৰমেৰে কৃষকসকলে খেতি কৰি, ঘৰলৈ খেতি চপাই, মৰণা মাৰি, ৰ'দত ধান শুকুৱাই ভঁৰালত সুমোৱাৰ পিছত কৃষকৰ মন আনন্দেৰে ভৰি পৰে। এই সময়ছোৱাতে কোচ-ৰাজবংশী লোকসকলে আনন্দৰ উৎসৱ দোমাসী পালন কৰে।

পুহ মাহৰ সংক্ৰান্তিৰ দিনা 'ঘৰবেৰা' পৰ্ব পালন কৰা হয়। ঘৰবেৰাৰ দিনা কোচ-ৰাজবংশী লোকৰ গৃহস্থই ঘৰ চোতাল মচি চাফ-চিকুণ কৰে। তাৰ পিছত বগা এঁৰা সূতাৰে ঘৰৰ চাৰিবেৰত মেৰিয়াই বন্ধা হয়। ইয়াৰ লগতে ঘৰৰ চৌহদত থকা বিভিন্ন ফল ধৰা গছবোৰত পুন্দি গছৰ ঠাৰিৰে (তৰা গছৰ ঠাৰি) মেৰিয়াই বন্ধা হয়। লোকবিশ্বাস মতে এনেদৰে গছবোৰত বান্ধিলে গছবোৰত অধিক ফল ধৰে, ফল ধৰিলে সৰি নাযায় অথবা পচি নাযায়। সেয়ে ৰক্ষাকবচ হিচাপে কোচ-ৰাজবংশী লোকসকলে অতীতৰেপৰা এই পৰম্পৰা পালন কৰি আহিছে।

ঘৰবেৰাৰ দিনাই কোচ-ৰাজবংশী লোকসকলে পিছদিনা জ্বলাবলৈ 'ধুনী' প্ৰস্তুত কৰে। ধুনী হ'ল শুকান বাঁহ, কাঠ, শুকান খৰি, আদিত লগোৱা জুই। ঠাই বিশেষে ইয়াক 'ভেলাঘৰ' বুলিও কোৱা হয়। ইয়াৰ উপৰি ঘৰৰ মহিলাসকলে পুষুণা / দোমাসী উপলক্ষে বিভিন্ন ধৰণৰ পিঠা-পনা, লাৰু, চিৰা যেনে- ধানচিৰা, বন্নীচিৰা, দাখাচিৰা, তিলৰ লাৰু, নাৰিকলৰ লাৰু, শুকান পিঠা, পাটিচেপটা পিঠা, পুৱা পিঠা ইত্যাদি তৈয়াৰ কৰা হয়।

দোমাসীৰ সময়ত কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত আটাইতকৈ প্ৰিয় খাদ্য হৈছে 'টোপোলা ভাত' বা চিমা আৰু 'আঠকাৰাই'। টোপোলা ভাত কলপাতত বন্নী (বৰা) চাউল দি বিশেষ পদ্ধতিৰে বান্ধি পানীত উতলাই প্ৰস্তুত কৰে। টোপোলা ভাত কণী, লাই-লফা, শাকেৰে খাবলৈ খুব সুস্বাদু হয়। 'আঠকাৰাই' ও বন্নী (বৰা) চাউলৰ পৰাই বনোৱা হয়। বন্নী চাউলখিনি

প্ৰথমতে পানীৰে ভালদৰে ধুই পানীখিনি শুকাবলৈ কুলা অথবা চালনীত এখন কপাহী কাপোৰ দি তাত চাউলখিনি মেলি দিয়ে। তাৰ পিছত শুকোৱা চাউলখিনি কেৰাহীত দি ভজা হয়। ভজা হোৱাৰ পিছত তাত মাটি মাহ, বুট মাহ, মগু মাহ কুল্টী (কুন্টি) মাহ, তিল, আদি ভাজি একলগ কৰি তাত আদা, নিমখ মিহলাই আঠকাৰাই প্ৰস্তুত কৰে। এনেদৰে কোচ-ৰাজবংশী লোকসকলে পুষুণাত বিভিন্ন ধৰণৰ খাদ্য সামগ্ৰী প্ৰস্তুত কৰে।

পুষুণাৰ দিনা ঘৰৰ সকলোৱে ঢলপুৱাতে উঠি গা-পা, ধুই ধুনী বা ভেলাঘৰৰ চাৰিওফালে উঠি গা-ধুই নাম কীৰ্ত্তন কৰে। ভেলাঘৰ প্ৰায় সম্পূৰ্ণৰূপে জ্বলি উঠাৰ পিছত বাঁহ ফুটিবলৈ আৰম্ভ কৰে আৰু চাৰিওফালে থকা সকলোৱে হৰি বোল, হৰি বোল বুলি জয়ধ্বনিৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। দোমাসীত ভেলাঘৰ জ্বলোৱাটো পৰম্পৰাগত সংস্কৃতিৰে অগ্নিপূজাৰ ইঙ্গিত দিয়ে। ভেলাঘৰ জ্বলাই অগ্নি পূজা কৰাৰ উদ্দেশ্য হৈছে মাটিৰ উৰ্বৰতা ৰক্ষা কৰা, শস্য বৃদ্ধি কৰা, প্ৰচণ্ড শীতক আতঁৰাবৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰা। ভেলাঘৰৰ আধা পোৰা বাঁহৰপৰা তৈয়াৰ কৰা চুঙাৰ প্ৰতীকেৰে পানীৰে পিঠাগুৰি আৰু মিঠাতেলেৰে ছাই মিহলাই গৰু ম'হৰ পিঠিত ছাপ মাৰে, সৰু-ডাঙৰ সকলোৱে ছাইৰে কপালত ফোঁট লয়। সৰুৱে ডাঙৰক সেৱা কৰি ভৱিষ্যত জীৱনৰ বাবে আৰ্শীবাদ বিচাৰে। তাৰ পিছত সকলোৱে ঘৰলৈ আহি পিঠা পনা, লাৰু আদি খায়।

পুষুণা উৎসৱত কোচ-ৰাজবংশী লোকসমাজত কিছু কিছু অঞ্চলত সৰু ল'ৰা-ছোৱালীবোৰে একলগে মাগন কৰিবলৈ ওলায়। উৎসৱৰ তিনি-চাৰিদিন মাগি সকলোৱে সমজুৱাকৈ মিলাপ্ৰীতিৰে 'লাখল ভাত' খায় এনেকৈয়ে কোচ-ৰাজবংশী লোকসকলে পুষুণা বা দোমাসী উৎসৱ পালন কৰে।

## ৩.০২.৫ নয়া খাওৱা (ন খোৱা) ঃ

কোচ-ৰাজবংশী লোকসকলে আগ আনা পৰ্বৰ পিছত নয়া খাওৱা অথবা ন খোৱা অনুষ্ঠানটো পাতে। আঘোণ মাহত পালন কৰা 'আগ আনা' ঘৰলৈ কৃষি চপোৱাৰ তথা লখিমী আদৰাৰ আৰম্ভণি আৰু মাংগলিক প্ৰথা। খেতি পথাৰৰ পৰা ঘৰলৈ ধান চপোৱাৰ পাছত নয়া নখোৱালৈকে কোচ-ৰাজবংশী সকলে ঘৰত নিজেও নতুন ধান-চাউলৰ ব্যৱহাৰ নকৰে।

নয়া খাওৱা অনুষ্ঠানটোৰ নিৰ্দ্দিষ্ট কোনো দিনবাৰ ঠিক কৰা নাথাকে। আঘোণ মাহতে শুভ দিন বাৰ চাই এই অনুষ্ঠানটো পতা হয়। বিশেষকৈ শুক্লপক্ষত এই অনুষ্ঠান পালন কৰা হয়। কিন্তু আঘোণ মাহৰ এক তাৰিখে এই অনুষ্ঠান পাতিলে কোনো পক্ষ বা শুভ দিন-বাৰ চোৱা নহয়।

'নয়া খাওৱা' কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অঞ্চলভেদে 'দেও পূজা', 'ঠাকুৰ পূজা' আদিও কয়। পূজাৰ আগদিনা গৃহস্থই থানশালী চাফ-চিকুণ কৰি চাকি জ্বলাই থয় আৰু সেই দিনা ঘৰৰ সকলোৱে নিৰামিষ আহাৰ গ্ৰহণ কৰে। পূজাৰ দিনাখন ঘৰৰ মহিলাসকলে পাকঘৰ, বৰঘৰ, চোতাল আদি মচি চাফ-চিকুণ কৰে অৰ্থাৎ শুদ্ধি হয়। পূজাৰ দিনা উৰালত ধান খুন্দি পূজাৰ বাবে নতুন চাউলৰ যা-যোগাৰ কৰে। পূজাৰ উপকৰণ হিচাপে নতুন চাউলৰ লগত চেনি, গাখীৰ, কল, বুট, বিভিন্ন ধৰণৰ ফলমূল, ধূপ-ধূনা, চাকি, তামোল-পাণ এযোৰ আদি থাকে। দেও পূজাৰ দিনৰ বাৰ বজাৰ আগতে শেষ কৰাটো নিয়ম। কোকৰাঝাৰ আৰু চিৰাং জিলাত অঞ্চলভেদে কোচ-ৰাজবংশী লোকসকলৰ ঘৰৰ থানশালীত কিছুমানৰ ছয় প্ৰকাৰৰ, কিছুমানৰ আঠ প্ৰকাৰৰ দেৱতা থাকে। এই দেৱতাসকলৰ নাম হ'ল- কামদেৱ, মহাদেৱ, ৰাজাঠাকুৰ, ভগৱতী, বিষহৰী, লাখল ঠাকুৰ, লক্ষ্মী আৰু সৰস্বতী। ইয়াৰ উপৰিও স্থানবিশেষে আৰু কেতবোৰ দেৱতাক পূজা কৰা দেখা যায়। যেনে- ধৰ্মদেৱতা, কৰ্মদেৱতা, মনসা, তেত্ৰিশ কোটি দেৱতা, পাঁচ বৈৰাতী আদি। এনেদৰে, বিভিন্ন দেৱতাক পূজা কৰাৰ লগতে ঘৰ গোঁসানী, চোতালত হৰি ঠাকুৰ আৰু অৱশেষত দক্ষিণফালে পূৰ্বপুৰুষ তথা পিতৃপুৰুষক পূজা আগবঢ়ায়। এইদৰে সকলো পৰ্ব শেষ হোৱাৰ পিছত গৃহস্থৰ সকলো সদস্যই পূৰ্বপুৰুষৰ আগত আঁঠু লৈ ঘৰৰ সৰ্বত্ৰে মংগল কামনা কৰি প্ৰাৰ্থনা জনায়। ইয়াৰ পিছত সকলোৱে প্ৰসাদ গ্ৰহণ কৰে।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলেৰ সৰহভাগে ঘৰৰ মূল পুৰুষ অথবা মহিলাৰ দ্বাৰাই এই অনুষ্ঠান পালন কৰে। ইয়াত কোনো পুৰোহিতৰ প্ৰয়োজন নহয়। কিন্তু যিসকল লোকৰ ঘৰত বিষহৰী থান, ভগৱতী থান, ৰাজাঠাকুৰৰ থান থাকে, তেওঁলোকে এই পূজাৰ বাবে এগৰাকী দেউৰীক আমন্ত্ৰণ কৰে। এনেবোৰ পূজাত হাঁহ, পৰা চৰাই বলি দিয়া হয়। যাৰ ঘৰত ৰাজাঠাকুৰৰ থান থাকে তেওঁলোকে পাৰ চৰাই এযোৰ উৰুৱাই দিব লাগে। এনেদৰে নয়া খাওৱা অনুষ্ঠান পৰা হয়।

কোচ-ৰাজবংশীসকলে পালন কৰা নয়া খাওৱা অনুষ্ঠানটোৰ মূল উদ্দেশ্য হৈছে পিতৃপুৰুষৰ শ্ৰাদ্ধ কৰা আৰু শালি ধানৰ ফচল ঘৰৰ দেৱতা, অগ্নি, পশু-পক্ষীক দান কৰাৰ লগতে আত্মীয় স্বজন, ওচৰ-চুবুৰীয়াৰ লগতে গৃহস্থই নতুন চাউলেৰে এসাঁজ ভাত গ্ৰহণ কৰা।

## ৩.০২.৬ মথন খেলা / কাদং (বোকা) ভাওনা ঃ

কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে জন্মাষ্টমীৰ পিছদিনা মথন খেলা বা কাদং ভাওনা অনুষ্ঠিত কৰে। মাঘ মাহৰ দশমী তিথিত কৃষ্ণ জন্মৰ দিনা গাঁওৰ মন্দিৰত গাঁওবাসীয়ে নাম-কীৰ্ত্তন কৰি জন্মাষ্টমী পালন কৰে। ইয়াৰ উপৰিও উক্ত দিনা ঘৰৰ বাকচ, আলমাৰিত থকা কাপোৰবোৰ বাহিৰত ৰ'দত উলিয়াই দিয়ে নহ'লে কাপোৰবোৰত দাগ লাগে বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

খেলাৰ আগদিনাই গাঁওৰ ৰাইজে খেলাৰ ঠাইখিনি বাছি লয়। ঠাইডোখৰত মাটিখিনি অলপ খুন্দি লৈ এটা মাটিৰ ঢিপ বনায় আৰু চাৰিওকোণত চাৰিডাল কলগছ পোতে। খেলৰ দিনাখন মাটিডোখৰৰ চাৰিওফালে ঘূৰি ঘূৰি গাঁওৰ বুঢ়ালোকসকলে নামকীৰ্ত্তন কৰে, মহিলাসকলে উৰুলি দিয়ে আৰু শেষত দেউৰী এগৰাকীয়ে মাটিৰ ঢিপটো ভাঙি দিয়ে। তাৰ পিছত ডেকা, বুঢ়া সকলোৰে কাদং খেলে। কাদং খেলাৰো বহুকেইটা নিয়ম আছে। খেলাত এটা নাৰিকল, এটা কোমোৰা আৰু এটা ৰবাব টেঙা থাকিব লাগিব। খেলাৰ সময়ত এইকেইটা সামগ্ৰীৰে বিভিন্ন ভংগীমাত খেল খেলে। ইয়াৰ উপৰিও মাটিডোখৰত এডাল কলগছ আৰু এডাল বাঁহ পোতা হয়। কলগছৰ ওপৰত টকা থাকে আৰু বাঁহৰ ওপৰত দৈৰ টেকেলি বান্ধি থোৱা থাকে। খেলা লোকসকলে কলগছৰ পৰা টকাখিনি লয় আৰু বাঁহডালত থকা টেকেলিটো ভাঙি দিয়ে। টকাখিনিৰে পিছত খেলা লোকসকলে মিলি মিঠাই খায়।

খেলা শেষ হোৱাৰ পিছত লাৰু খোৱা পৰ্ব আছে। এই লাৰু গাঁওসকলো মহিলাই একেলগে বনায়। চাউল গুড়ি কৰি তাত জালুকৰ গুড়ি দি নিমখ আদি মিহলাই গোটা গোটা কৰি বনোৱা হয়। খেলাৰ পিছত সকলোৰে ঘৰলৈ গৈ গা ধুই আকৌ মন্দিৰলৈ আহি সকলোৰে লাৰু খায়। এই লাৰুবিলাক ঘৰে ঘৰে ভগাইও দিয়া হয়। খোৱা লোৱাৰ পিছত সকলোৰে আকৌ এবাৰ মন্দিৰত সেৱা জনাই গাঁওখনৰ ৰাইজৰ মংগল কামনা কৰে।

এনেদৰে, কোচ-ৰাজবংশী লোকসকলে মথন খেলা বা কাদং খেলা খুব উলহ মালহেৰে পালন কৰে। অৱশ্যে সকলো ঠাইতে এই খেলা অনুষ্ঠিত নহয়। কোকৰাঝাৰ জিলাৰ বৃহৎ কালীপুখুৰী অঞ্চল, চন্দ্ৰপাৰা, ফুটকিবাৰী আদিত মথন খেলা বা কাদং খেলা অনুষ্ঠিত কৰা দেখা যায়।

## ৩.০২.৭ দৌল উৎসৱ ঃ

দৌল উৎসৱ সৰ্বভাৰতীয় আৰু সাৰ্বজনীন উৎসৱ। দৌল উৎসৱ ভাৰতৰ সকলো ঠাইতে পালন কৰা দেখা যায়। "*ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত এই উৎসৱ বিভিন্ন নামেৰে পৰিচিত। অসমত দৌল, দোল, ফাগুৱা, ফাকুৱা, হোলি আদি ঠাই বিশেষে ইয়াৰ বিভিন্ন নাম আছে। পশ্চিমবঙ্গত ইয়াক কোৱা হয় দোল যাত্ৰা, উৰিষ্যাত দোল উৎসৱ, উত্তৰ আৰু মধ্য ভাৰতত হোলি বা হোৰি, গোৱা বা কোঙ্কণত শিমাগা, দক্ষিণ ভাৰতত এই উৎসৱক কোৱা হয় 'মদন দহন' বা 'কামায়ণ'। নেপালত ইয়াৰ নাম ফল্গু উৎসৱ। উৰিষ্যাৰ কোনো কোনো ঠাইত মেজি সাজি তাত ধান-চাউল, শাক-পাচলি, অৰ্পণ কৰি জুই জ্বলাই 'হোলিকা' নামৰ অসুৰৰ পৰা পৰিত্ৰাণ পাবলৈ সমূহীয়া পূজা-পাতল কৰে। অন্ধ্ৰপ্ৰদেশত কামুতি পুত্ৰম নামেৰে এই উৎসৱ পালন কৰা হয়। তেলেংগানাত কামদেৱৰ মূৰ্তি দাহ কৰি ডেকা বুঢ়া সকলোৱে ৰং বিৰঙেৰে হোলি খেলে। সেইদৰে কেৰেলাতো লিংগ বা কামদাহন উৎসৱ পালন কৰা দেখা যায়।*"[৩৭]

দৌল উৎসৱ বসন্তকালত পালন কৰা হয় সেয়ে এই উৎসৱক বসন্তোৎসৱ হিচাপেও উদ্‌যাপন কৰা হয়। সদায় ভাৰতবৰ্ষৰ লগত উত্তৰ পূৰ্ব ভাৰত তথা অসমতো বসবাস কৰা প্ৰায় সৰহভাগ জনগোষ্ঠীৰ মাজত দৌল উৎসৱ বা হোলী উদ্‌যাপন কৰা পৰিলক্ষিত হয়।

দৌল বা হোলী উৎসৱক কেন্দ্ৰ কৰি কেইবাটাও পৌৰণিক আখ্যান, উপাখ্যান আছে যদিও অসমত বিশেষকৈ ৰাজবংশী সমাজত 'ৰাধা-কৃষ্ণ'ৰ লগত জড়িত আখ্যানটোৱে বেছি জনপ্ৰিয় আৰু উল্লেখযোগ্য। 'ৰাধাকৃষ্ণ'ৰ আখ্যান মতে- "*কৃষ্ণৰ গাৰ বৰণ আছিল ক'লা (নীলা) আৰু শ্ৰীমতী ৰাধাৰ গাৰ বৰণ আছিল গৌড়। শ্ৰীকৃষ্ণৰ বৰণ ক'লা হোৱাৰ বাবে তেওঁ গৌড় বৰণ ৰাধাক সহ্য কৰিব পৰা নাছিল। কৃষ্ণই নিজৰ এই মানসিক অৱস্থাৰ কথা মাকক জনাই মাকৰ পৰা উপদেশ বিচাৰে। মাকে ৰাধাৰ গাত ৰং লগাই তেওঁৰ নিচিনা কৰিবলৈ উপদেশ দিয়ে। মাকৰ উপদেশ মৰ্মে কৃষ্ণই ৰাধাৰ গাত ৰং সনাৰ দিনটোকে তেতিয়াৰ পৰা দৌল বা হোলি উৎসৱ হিচাপে পালিত হ'বলৈ ধৰে।*"[৩৮]

অসমৰ কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহতো দৌল উৎসৱৰ পয়োভৰ দেখা যায় আৰু বেছিভাগ দৌল দেৱালয়ত কৃষ্ণক উপাস্য দেৱতা হিচাপে পূজা অৰ্চনা কৰা হয়। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথা যে চিদলী ৰাজবংশৰ কোচ ৰজা গৌৰী নাৰায়ণদেৱে ইংৰাজী ১৮০৬ চনত বাসুগাঁৱত প্ৰতিষ্ঠা কৰা শ্ৰী শ্ৰী ৰাজাঠাকুৰ দৌল দেৱালয় আৰু বিজনী ৰাজ্যৰ ৰাণী অভয়েশ্বৰী দিনত প্ৰতিষ্ঠা কৰা কালীপুখুৰীৰ লালটাৰীত ৰাজাঠাকুৰ মন্দিৰত অনুষ্ঠিত হোৱা দৌল উৎসৱ কিছু পৃথক। উক্ত দুয়োখন দেৱালয়তে পূজ্য দেৱতা হিচাপে ৰাজাঠাকুৰ, চৰ্দাৰ ঠাকুৰ, পাগলা ঠাকুৰ, পালিচাঁদ আদি দেৱতাইহে স্থান পাইছে। কোচ-ৰজাঘৰীয়া দিনলৈ যদি উভতি চোৱা যায় তেন্তে ৰাজ শাসন চলোৱা ৰজা, মন্ত্ৰী, চৰ্দাৰ, পালি আদি মনলৈ আহে আৰু তাৰেই অনুৰূপ সাদৃশ্যতা এই উল্লিখিত দেৱালয় দুখনত পূজ্য দেৱতাসকলৰ নামৰ ক্ষেত্ৰত দেখা যায়। এই দুয়োখন দেৱালয়তে দৌলত ব্যৱহাৰ কৰা সিংহাসনত ৰাধা কৃষ্ণৰ মূৰ্তিৰ পৰিৱৰ্তে ৰাজা ঠাকুৰৰ পাদুকা অৰ্থাৎ খৰম হে ৰখা হয়। যাক ৰজাৰ সৰ্বস্ব প্ৰতীক হিচাপে ধৰা হয়। উক্ত দুয়ো দেৱালয়খন শাক্ত, শৈৱ, আৰু বৈষ্ণৱ পৰম্পৰাৰ এক পৰম্পৰাৰ এক প্ৰীতিৰ মিলনস্থল বুলি অভিহিত কৰিব পাৰি।

চিৰাং জিলাৰ বাসুগাঁও ৰাজাচাৰঙৰ শ্ৰী শ্ৰী ৰাজাঠাকুৰ দৌল-দেৱালয়ত ফাগুন মাহত পঞ্চমী দৌল উৎসৱহে উদ্‌যাপন কৰা হয়।

কোকৰাঝাৰ জিলাৰ কালীপুখুৰী অঞ্চলৰ লালটাৰীৰ শ্ৰী ৰাজাঠাকুৰ মন্দিৰত ফাগুণ মাহত ৰাজ দৌল উৎসৱ উদ্‌যাপন কৰা হয়। ৰাজ দৌলৰ মুখ্য পূজাৰ ১৫ দিন আগতে এক ৰাতিৰ ভিতৰতে গা-পা ধুই শনিবাৰ আৰু মংগলবাৰৰ বাহিৰে বাকী বাৰবোৰত তিনিডাল বাঁহ কাটি চাফা কৰি উক্ত উৎসৱৰ দিনটোত গোসাঁই বা নিচান বনোৱাৰ কাৰণে সযতনে ৰাখি থোৱা হয়। নিশান ধৰা লোকসকলক পাঠল বোলা হয়। পাঠলসকলে উপবাসে নিজৰ বাঁহ নিজে কটাৰ নিয়ম। উক্ত নিচানৰ বাঁহ তিনিডালক পাঠলসকলে কটাৰ আগতে মনে মনে বাঁহকেইডালৰ ওচৰলৈ গৈ থিয় হৈ ৰাজাঠাকুৰৰ নাম লৈ জগাই আহে।

মুখ্য পূজাৰ আগদিনা অধিবাস। অধিবাস আৰম্ভ হয় শুক্লপক্ষৰ চতুৰ্দশী তিথিত। অধিবাসৰ পুৱা গাঁৱৰ ৰাইজে শাৰী পাতি শুদ্ধি বা প্ৰায়শ্চিত্ত হয়। সন্ধিয়া দুখ, দুৰ্গতি, ৰোগ-ব্যাধি, অপায়-অমংগল আদি নাশ কৰাৰ উদ্দেশ্যে ভেলাঘৰ দাহ কৰা হয়। এই নিয়মটো বৈষ্ণৱ সংস্কৃতিৰ হোলিকা দাহনৰ লগত সাদৃশ্য আছে। "*হোলিকা আছিল বিষ্ণুৱ পৰম ভক্ত প্ৰহ্লাদৰ পেহীয়েক*

*আৰু হিৰণ্যকশিপুৰ ভনী। হোলিকাৰ বৰদান আছিল যে তাই যদি এখন নিৰ্দ্দিষ্ট ওৰণি মূৰত লৈ থাকে, তেন্তে তাইক জুইয়ে নুপুৰিব। হিৰণ্যকাশিপুৰ আদেশত পেহীয়েক হোলিকাই প্ৰহ্লাদক কোলাত আৰু মূৰত ওৰণি লৈ জুইত বহে; কিন্তু কিছু সময়ৰ পিছত সেই ওৰণিখন হোলিকাৰ মূৰৰ পৰা নামি গৈ প্ৰহ্লাদৰ গাত পৰে আৰু হোলিকা জ্বলি ভস্মীভূত হয়। ইয়াকে হোলিকা দাহন কোৱা হয়।*"[৩৯] অধিবাসৰ দিনা সন্ধিয়া মুখ্য দেউৰীয়ে নিজ ভাষাৰ মন্ত্ৰ উচ্ছাৰণেৰে ঢোল-তাল, শংখ-ঘন্টা আদি বজাই পবিত্ৰ পানী আৰু আবিৰ আদি ছটিয়াই, উক্ত ভেলাঘৰটোৰ চাৰিওফালে সাতপাক ঘূৰি আই মাতৃসকলৰ উৰুলি ধ্বনিত ভেলাঘৰটোক দাহ কৰা হয়। এই পৰ্বৰ অন্তত পিছদিনা উক্ত দেৱালয়ৰ পৰা ঢোল, তাল বজাই, দুগৰাকী বৈৰাতীক লগত লৈ লালটাৰী গাঁৱৰপৰা দক্ষিণ দিশত প্ৰায় সাত কিঃমিঃ নিলগত অৱস্থিত নাদাংগিৰি পাহাৰত অৱস্থিত নাজাং বুঢ়া (নাদাং বুঢ়া), নাজাং বুঢ়ী (নাদাং বুঢ়ী) মন্দিৰত তামোল-পাণ, ধূপ-ধূনা আদিৰে সেৱা জনাই আমন্ত্ৰণ জনোৱা হয়। আমন্ত্ৰণ দিবলৈ যোৱাৰ সময়তে মন্দিৰৰ দেউৰীৰ গাত অথবা এজন নিৰ্দ্দিষ্ট ব্যক্তিৰ গাত দেৱতা লম্ভে আৰু ভক্তিভাৱেৰে  আমন্ত্ৰণ জনোৱাৰ পিছত যদি গাত দেৱতা লম্ভা ব্যক্তিজন নাজং বুঢ়া, নাজাং বুঢ়ী মন্দিৰৰ পৰা হাতৰ মুঠিত ফুল লৈ বাহিৰলৈ ওলাই আহি লালাটাৰী গাঁৱৰ ফালে লৰ মাৰে তেন্তে আমন্ত্ৰণ সফল হ'ব বুলি লোকবিশ্বাস আছে।

দ্বিতীয় দিনা ভৰপূজা বুলি কোৱা হয়। এই দিনটোত ভক্ত প্ৰাণ ৰাইজে উচৰ্গা হিচাপে প্ৰসাদ, পাৰ চৰাই, খাহী ছাগলী, সোণ-ৰূপৰ, পিতলৰ বস্তু আদি কৰি বিভিন্ন সামগ্ৰী আগবঢ়ায়। উচৰ্গাৰ সময়ত দেউৰীৰ গাত দেৱতাই লম্ভি এটা এটা কৈ খাহী-ছাগলী আৰু পাৰ চৰাইসমূহক মোচোৰি মাৰি উচৰ্গা কৰে। পাঠলসকলে উক্ত উচৰ্গা কাৰ্যত দেউৰীক সহায় কৰে। এইখিনিতে উল্লেখযোগ্য যে যদি খাহী ছাগলী বা পাৰ চৰাইৰ কিবা দোষ থাকে তেন্তে মোচোৰি থোৱা ছাগলী আৰু পাৰ চৰাই সম্পূৰ্ণ সুস্থ হৈ উঠে। সকলোবিলাক উচৰ্গিত হোৱাৰ পাছত ছাগলী আৰু পাৰ চৰাইৰ কিছু অংশ মন্দিৰত ৰাখি বাকীখিনি গৰাকীৰ হাতত ওভোটাই দিয়ে। গৃহস্থই উক্ত মাংস আত্মীয় কুটুম্ব, বন্ধু-বান্ধৱক নিমন্ত্ৰণ কৰি প্ৰসাদ হিচাপে গ্ৰহণ কৰে।

তৃতীয় দিনা ৰাতিপুৱা পূৰ্জা অৰ্চনাৰ পিছতে দেৱালয়ৰ দেৱতাসমূহক বাহিৰলৈ উলিয়াই ৰাইজৰ মাজলৈ লৈ যোৱা হয়। ৰাণী অভয়েশ্বৰীয়ে দেৱালয়ৰ নামত দান কৰা মাটিতেই এই সুৰেৰী মেলা পতা হয়। স্থানীয় ভাষাত সুৰেৰীক ছোৱাৰী বোলে। ছোৱাৰী মেলালৈ যোৱাৰ আগমূহুৰ্তত গাঁৱৰ ৰাইজে সকলোৱে ফাকুৱা বা ৰঙ খেলি আনন্দ স্ফূৰ্তি কৰে আৰু নিশান ধৰা

ব্যক্তিসকলক বিশেষ আবিৰ সানি দিয়াৰ লগে লগে দেৱতাই লম্ভে। যদি পূজা দিওঁতে কিবা ভূল ত্ৰুটি থাকি যায়, তেতিয়া দেৱতাই নিৰ্দ্দিষ্ট স্থানত যোৱাত বাধা প্ৰদান কৰে আৰু ভূল ত্ৰুটিসমূহ আঙুলিয়াই দিয়ে। ইয়াকে ‘খঙায়’ বুলি কয়। সেই সময়ত দেউৰীয়ে ক্ষমা ভিক্ষা খুজি মানস কৰিলেহে ক্ষান্ত হয়। উল্লেখযোগ্য যে ছোৱাৰী মেলালৈ যাঁওতে প্ৰথমে চৰ্দাৰঠাকুৰ তাৰ পিছত ৰাজাঠাকুৰ আৰু শেষত পাগলাঠাকুৰক দেৱালয়ৰ বাহিৰলৈ উলিয়াই অনা হয়। ছোৱাৰী মেলা বেলি মাৰ নোযোৱালৈকে চলি থাকে। মেলাত ভক্ত প্ৰাণ ৰাইজে গোঁসাইৰ সন্মুখত সামৰ্থ অনুযায়ী মূল্য আগবঢ়াই দি সেৱা প্ৰাৰ্থনা কৰে। মেলাৰ অন্তত পূৰ্বতে আমন্ত্ৰণ জনাই মানস কৰি থোৱা ভক্তসকলৰ ঘৰত গোঁসাইসকলক লৈ যোৱা হয়। ভক্ত গৃহস্থই চাকি, ধূপ-ধূনা জ্বলাই, লাৰু-পিঠা আগবঢ়াই গোঁসাইসকলক পূজা কৰে। বহু নিশালৈ গোঁসাই সিংহাসন লৈ ভক্তপ্ৰাণ ৰাইজে আমন্ত্ৰণ কৰা গৃহস্থৰ ঘৰত গৈ লাড়ু পিঠা খাই গৃহস্থক আৰ্শীবাদ দিয়ে। তাৰ পিছত সকলো গোঁসাইকে মন্দিৰলৈ উভতাই অনা হয়।

পৰিদৃশ্যমান যে লালটাৰীৰ ৰাজাঠাকুৰ বাবা কোচ-ৰাজবংশীসকলৰ অন্যতম পূজা গাৰ্জা পূজাৰ এক অংগ বুলি ধাৰণা হয়। কিয়নো গাৰ্জা পূজাত ৰাজাঠাকুৰ, পাগলাঠাকুৰ আৰু চৰ্দাৰ ঠাকুৰৰ নামত লগতে বুঢ়া-বুঢ়ী (নাদাং বুঢ়া- নাদাং বুঢ়ী) নামো শুনিবলৈ পোৱা যায়। কোচ-ৰাজবংশীসকলৰ পূজাৰ এক অন্যতম বিশিষ্ট টিপ পূজাও এই দেৱালয়ত দৃশ্যমান হৈ আছে।

উল্লেখযোগ্য যে অধিবাসৰ দিনা ৰাজাঠাকুৰৰ প্ৰতীক হিচাপে ব্যৱহাৰ হোৱা খৰম যোৰ টিপৰ তলৰ অংশত, ভৰপূজাৰ দিনা টিপৰ মাজভাগত আৰু ছোৱাৰীৰ দিনা টিপৰ একেবাৰে ওপৰলৈ উঠাই অনা হয়। দেৱালয়ৰ দেউৰী বা পূজাৰী পদ পাবলৈ মানুহজন দীক্ষিত হোৱা অনিবাৰ্য। “*নাদাংগিৰি পাহাৰৰ দাঁতিত অতীতৰে পৰাই কোচসকলে বসবাস কৰি আহিছে।*”[৪০] এই কোচসকলোৰেই কিছু বংশধৰ পৰৱৰ্তী সময়ত আজিৰ লালটাৰী আৰু কালীপুখুৰী অঞ্চলত বসবাস কৰিবলৈ আৰম্ভ কৰে। যিদৰে মানুহে নিজৰ বাসস্থান পৰিৱৰ্তন কৰিলে ঘৰৰ দেৱ-দেৱীৰো থান স্থানান্তৰ কৰা হয়, ঠিক তেনেদৰে লালটাৰীৰ ৰাজাঠাকুৰ দেৱালয়ৰ দেৱতা সমূহকো নাদাংগিৰি পাহাৰৰ পৰা স্থানান্তৰ কৰি কালক্ৰমত আজিৰ স্থানলৈ অনা হয় বুলি স্থানীয় লোকসকলে জানিবলৈ দিয়ে। সেইকাৰণে লালটাৰীৰ শ্ৰী শ্ৰী ৰাজাঠাকুৰ দেৱালয়ৰ পৰা আজিও নাদাংগিৰি পৰ্বতত থকা বুঢ়া বুঢ়ী থানত সেই ঠাইৰ দেৱতাসকলক নিমন্ত্ৰণ কৰি অনা প্ৰথাৰ প্ৰচলন আছে।

### ৩.০২.৮ অম্বুবাচী ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে অতি প্ৰাচীন কালৰেপৰা পালন কৰি অহা উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত অম্বুবাচী উৎসৱ অন্যতম। উক্ত জিলা দুখনৰ উপৰিও অসম, পশ্চিমবংগ ৰাজ্যকে ধৰি বাংলাদেশ, নেপালত থকা কোচ-ৰাজবংশী লোকসকলে অম্বুবাচীৰ সৈতে জড়িত ৰীতি-নীতিসমূহ মানি চলে বুলি জনা যায়। কোচ-ৰাজবংশীসকলে পূৰ্বৰে পৰা শৈৱৰ লগতে শাক্ত ধৰ্মৰ উপাসক আছিল তাৰ প্ৰমাণ ইতিহাসত পোৱা যায়। মনকৰিবলগীয়া কথা যে-গুৱাহাটীৰ নিলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱীৰ মন্দিৰটো কোচ ৰজা মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ পিতৃ ৰজা বিশ্বসিংহই নিৰ্মাণ কৰিছিল আৰু এই মন্দিৰটোৱে প্ৰাচীন কামৰূপ ভূখণ্ডত স্থাপিত প্ৰাচীন কামাখ্যা মন্দিৰ। এই কামাখ্যা মন্দিৰতে প্ৰতি বছৰে আহাৰ মাহত অম্বুবাচী মেলা অনুষ্ঠিত হয় আৰু এই অম্বুবাচীৰ সৈতে থকা ৰীতি-নীতিসমূহ কোচ-ৰাজবংশী লোকসকলে সেই প্ৰাচীন কালৰেপৰা বিশেষভাৱে পালন কৰি আহিছে। কোচ-ৰাজবংশী লোকসকলে এই উৎসৱক 'আমতি চুৱা', 'ষাঁঠ লগা' বুলিও কয়।

দৰাচলতে ষাঁঠৰ পিছতহে অম্বুবাচী বা আমতী চুৱা আৰম্ভ হয়। জেঠ মাহৰ শেষত তিনিদিন, সৌৰ আহাৰ মাহৰ প্ৰথম তিনিদিন আৰু সংক্ৰান্তিৰ দিনটোলৈ এই সাতদিনক ষাঁঠ বুলি কয়। "*সংস্কৃত সপ্ত বা সপ্তকৰ পৰা আহাৰ মাহৰ সাতদিনৰ ষাঁঠ শব্দৰ উৎপত্তি হ'ব পাৰে।*"[৪১] "*গ্ৰহ নক্ষত্ৰৰ সঞ্চাৰ অনুসৰি আহাৰ মাহৰ কৃষ্ণপক্ষৰ মিথুন ৰাশিত সূৰ্যই যেতিয়া আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদ অৰ্থ্যাৎ আহাৰ মাহৰ ছয় দিনমান যোৱাত অম্বুবাচী বা আমতি তিথি হয়। বৰ্ষাৰ আৰম্ভণিতে পৃথিৱী ৰজঃস্বলা হোৱাৰ যি লৌকিক বিশ্বাসে অম্বুবাচী ৰূপত আজিও সজীব কৰি ৰাখিছে। সেই ধাৰণাই পৃথিৱীক তথা প্ৰকৃতিক ভাৰতীয় মাতৃৰূপে জ্ঞান কৰাৰ স্পষ্ট প্ৰমাণ উজলাই ৰাখিছে। ৰজঃস্বলা হোৱাৰ সময়ত ৰক্তস্ৰাৱ নিৰ্গত হয়। এই ৰক্তৰ বৰণেই হ'ল উৰ্বৰতাৰ প্ৰতীক। ঋতুচক্ৰৰ পিছত নাৰীৰ গৰ্ভত উৎপাদিত শক্তিয়ে সক্ষমতা লাভ কৰে। সেইবাবেই গৰ্ভত ধাৰণ কৰাৰ আগতে পৃথিৱী ৰজঃস্বলা হোৱা বুলি বিশ্বাস প্ৰচলিত হৈ আছে।*"[৪২]

এইখিনিতে উল্লেখযোগ্য যে, প্ৰাচীন কালৰে পৰা কোচ-ৰাজবংশী লোকসকল কৃষিজীৱী আছিল। গতিকে পূৰ্বতে কৃষি কৰ্মৰ লগত জড়িত হোৱা বাবে পুৰুষ আৰু মহিলা অনুযায়ী চুৱা

লগাৰ ক্ষেত্ৰত সময়ৰ কিছু তাৰতম্য দেখা গৈছিল। "*পুৰুষসকলে পথাৰৰ পৰা হাল বাই ঘৰলৈ উভতাৰ পিছত তেওঁলোকৰ চুৰা লগা বুলি ধৰে। আনহাতে, গৃহস্থৰ মহিলাসকলে ভাত-ৰান্ধি ঘৰ মচাৰ বাবে ঘৰত মাটি লৈ অনাৰ পিছতহে তেওঁলোকে চুৰা লগা বুলি ধৰে।*"[৪৩]

অম্বুবাচীৰ সময়ছোৱাত কামাখ্যা দেৱী ৰজঃস্বলা হয়। যিহেতু কোচ-ৰাজবংশীসকলে কামাখ্যা দেৱীক শক্তি দেৱী বা মাতৃ হিচপে জ্ঞান কৰে সেই একে জ্ঞানেৰে বসুমতীকো মাতৃৰ স্থান দি চুৰা লগা দিনকেইটাত মাটিত বা বসুমতীৰ বুকুত আঘাত কৰা কাৰ্যৰ পৰা বিৰত থাকে। কোচ-ৰাজবংশী লোকসকলে চুৰা লগা দিনকেইটাত হাল বোৱা, কোৰ মাৰা, মাটি খুন্দা, গৰুৰ খুঁটি পোতা ইত্যাদি মাটিত আঘাত কৰা কাৰ্য নকৰে। তাৰোপৰি বাৰীৰ গছৰ পৰা ফল ছিঙা, গছ ৰোৱা আৰু যিকোনো শুভ কৰ্ম কৰাৰ পৰা বিৰত থাকে। উক্ত দিনকেইটাত এঁৰা গাখীৰ খোৱাৰ নিয়ম আছে। "*এইখিনি সময়ত এঁৰা গাখীৰ খালে সাপে নুখুটে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।*"[৪৪]

"*যাঁঠ লগা সময়ছোৱাত মাত মতা চৰাইৰ পোৱালি ঘৰলৈ পুহিবলৈ আনিলে পোৱালিটোৱে মাত নিশিকে বুলি কোচ-ৰাজবংশী লোকসকলৰ মাজত লোকবিশ্বাসৰ প্ৰচলন আছে।*"[৪৫]

যাঁঠ লগা দিনকেইটাত সাধাৰণতে নেৰানেপেৰা বৰষুণ দিয়ে। এই বৰষুণ আৰু জেঠৰ প্ৰখৰ ৰ'দে বসুমতীক শালি খেতিৰ বাবে অধিক উপযোগী কৰি তোলে। অম্বুবাচী উৎসৱৰ লগত এই কথাটিৰো প্ৰাসংগিকতা মনকৰিবলগীয়া।

চাৰি দিনৰ মূৰত আমতিৰ চুৰা ওৰ পৰে আৰু পঞ্চম দিনা আমতিৰ শুদ্ধি হয়। অম্বুবাচী নিবৃত্তিৰ দিনা মন্দিৰৰ দ্বাৰ খোলা হয় আৰু কামাখ্যাৰ মন্দিৰৰ প্ৰাংগনত মেলা অনুষ্ঠিত হয় বিভিন্ন প্ৰান্তৰপৰা অহা ভক্ত-দৰ্শনাৰ্থীসকলে কামাখ্যা দেৱীক দৰ্শন কৰে। কোচ-ৰাজবংশী লোকসকলে উক্ত দিনা ঘৰ-দুৱাৰ, কাপোৰ-কানি, বাচন-বৰ্তন, ইত্যাদি চাফ-চিকুণ কৰি গংগাৰ পানী ছটিয়াই শুদ্ধি হৈ লয় আৰু কামাখ্যা দেৱী অথবা বসুমতীক বিভিন্ন প্ৰকাৰৰ ফলেৰে নৈবদ্য আগবঢ়াই পূজা-আৰ্চনা কৰে। কোচ-ৰাজবংশী লোকসকলে এনেদৰে অতীতৰে পৰা অম্বুবাচী বা আমতি চুৰা পালন কৰি আহিছে আৰু বৰ্তমান সময়তো পালন কৰি আছে।

### ৩.০২.৯ নষ্টচন্দ্ৰ / হইট্ৰাকি ঃ

কোচ-ৰাজবংশী লোকসকলে পুৰণি কালৰে পৰা নষ্টচন্দ্ৰ অথবা হইট্ৰাকি পালন কৰি

আহিছে। ভাদ মাহৰ পূৰ্ণিমাত (কৃষ্ণ জন্মাষ্টমীৰ পিছৰ পূৰ্ণিমা) হইট্ৰাকি পালন কৰা দেখা যায়। তেওঁলোকে ভাদ মাহৰ চন্দ্ৰৰ পোহৰক কলংক জ্ঞান কৰে। চন্দ্ৰই পাপ কৰাৰ কাৰণে গাত চন্দ্ৰ কলংক আছে আৰু তাৰ পোহৰ মানুহৰ দেহত পৰিলে তেওঁলোকো কলংকিত হোৱা বুলি ভাৱে। সেয়ে তেওঁলোকে নষ্টচন্দ্ৰ পালন কৰি ৰাতি বেলেগৰ ঘৰত 'ময়নাৰ ফল' দলিয়ায় আৰু গৃহস্থই গালি পাৰিলে কলংক বা পাপ মোচন হয় বুলি ভাবে। ইয়াৰ উপৰিও কিছুমানৰ বেলেগৰ ঘৰৰ পৰা ফল যেনে- নাৰিকল, ৰবাব টেঙা, কুঁহিয়াৰ অথবা পাচলি আদি বস্তুও চুৰি কৰা দেখা যায়। কোচ-ৰাজবংশী লোকসকলে এই নষ্টচন্দ্ৰত নিশা সাৰে থকাৰ পৰম্পৰা মানি চলিছিল। কিন্তু বৰ্তমান সময়ত আধুনিকতাৰ পৰশত এনে পৰম্পৰা কোচ-ৰাজবংশী লোকসমাজৰ পৰা হেৰুওৱাৰ উপক্ৰম ঘটিছে।

## ৩.০৩ ধৰ্মৰ সৈতে জড়িত লোকাচাৰ ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত ভিন্ন পন্থীৰ যেনে- শৈৱ, শাক্ত, বৈষ্ণৱ, অনুকুল তথা জয়গুৰু ধৰ্ম গ্ৰহণ কৰা, খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা লোক দেখিবলৈ পোৱা যায়।

কোচ-ৰাজবংশী সকলৰ আৰাধ্য দেৱ-দেৱীৰ ভিতৰত থকা কামাখ্যা দেৱীয়ে মায়ে প্ৰধান। "*গুৱাহাটীৰ পশ্চিমদিশে থকা মা-কামাখ্যা মহাপীঠৰ সৈতে বোধকৰো যাদু-মন্ত্ৰ অথবা তান্ত্ৰিক হিন্দু ধৰ্মৰ সম্বন্ধ আছিল। যোনি পূজা আৰু লিংগ পূজা প্ৰাক্ আৰ্যকালৰ উৎপত্তি বুলি সাধাৰণতে স্বীকৃত।*"[৪৬] অৰ্থাৎ ঐতিহাসিক দিশৰ পৰা প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষপুৰত কোচসকলৰ অৱস্থিতিৰ বিষয়ে পোৱা প্ৰমাণৰ লগতে প্ৰাক আৰ্যকালৰ পৰাই লিংগ আৰু যোনি পূজাৰ প্ৰচলনে এই কথাটোৰে প্ৰমাণ কৰে যে শিৱ আৰু কামাখ্যা কোচসকলৰ প্ৰধান উপাস্য দেৱ-দেৱী। এনেদৰে প্ৰাচীন কালৰ পৰাই শিৱৰ ধ্যান ধাৰণা আৰু আৰাধনা কৰাৰ লগতে এই ভূখণ্ডৰ বিভিন্ন প্ৰান্তত শিৱৰ মন্দিৰ স্থাপন হৈ আহিছে। বৰ্তমান কোচ-ৰাজবংশী লোকসকল নিজৰ মনোবাঞ্ছা পূৰণৰ হেতু তথা সৰ্বত্ৰ মংগলৰ বাবে শিৱ চৰ্তুদশীৰ দিনা শিৱৰ পূজা অৰ্চনা কৰা পৰিলক্ষিত হয়। শিৱক উপাস্য দেৱতা হিচাপে গ্ৰহণ কৰি আৰাধনা কৰা ধৰ্মীয় পন্থাৰে নাম হৈছে শৈৱ ধৰ্ম। শৈৱপন্থী কোচ-ৰাজবংশী লোকসকলে শিৱ পূজা ৰাজাঠাকুৰৰ পূজা, পাগলাবাবাৰ পূজা, বুঢ়া বাবাৰ পূজা, ভৈৰৱ পূজা, সৈন্নাসী পূজা, আদি ৰূপত শিৱকে আৰাধনা কৰা দেখা যায়।

মানুহ আদিতে প্ৰকৃতি পূজক আছিল। প্ৰকৃতিৰ অংশীদাৰ স্বৰূপে কিছুমান শক্তিক প্ৰত্যক্ষ কৰি তেঁওলোকে পূজা কৰিছিল। সূৰ্য বায়ু, বৰুণ, অগ্নি, ইন্দ্ৰ, পৰ্বত-পাহাৰ, গছ-গছনি, নদ-নদী আদিক বিশ্বাস অনুযায়ী তেওঁলোকে বিধে বিধে পূজা কৰিছিল। শ শ বছৰ অতিক্ৰম কৰাৰ পিছত আদিম ভাৰতবাসীৰ ভৌগোলিক স্থিতি, প্ৰাকৃতিক পৰিৱেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দ্দিষ্ট হৈ পৰে। অসমত এনে এক প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হৈছিল শাক্ত পূজা বা শাক্ত ধৰ্মৰ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নামৰ কথা পোৱা যায়। যেনে-ভগৱতী, চণ্ডী, কাত্যায়নী, উমা পাৰ্ৱতী, মহিষমৰ্দ্দিনী, কামাখ্যা, ভৈৰবী, চামুণ্ডা, কালী, গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, ষোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি।

পুৰাণ শাস্ত্ৰই প্ৰমাণ কৰে যে প্ৰাগজ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্ৰথম সেৱক আছিল আৰু তেৱেঁই অসমত দেৱীপূজাৰ প্ৰচলন কৰিছিল। নৰকাসুৰ শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেওঁৰ যোগেদিয়েই অসমত শাক্ত ধৰ্মৰ উত্থান ঘটে। কেইবাখনো বিখ্যাত তন্ত্ৰ শাস্ত্ৰত ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তি পীঠৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। অতি প্ৰাচীন কালৰেপৰাই কামৰূপ ক্ষেত্ৰ শক্তি সাধনৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে মুঠতে এই কামৰূপ পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰতে অদ্বিতীয় আছিল।

গেইটৰ মতে, *"প্ৰথম কোঁচ ৰাজ বিশ্বসিংহ শিৱ আৰু দুৰ্গা দুয়োৰে ভক্ত আছিল। বিশ্বসিংহই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰায় আৰু ইয়াৰ যথোচিত পূজা সেৱাৰ ব্যৱস্থা কৰি দিয়ে। আনহতে বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণে কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়ায়। এইবোৰে ৰজাৰ দেৱীৰ প্ৰতি থকা আস্থাৰ কথাকে সূচায়।"*[৪৭]

*" মধ্যযুগীয় অসমত শাক্ত ধৰ্মৰ প্ৰচলন থকাৰ প্ৰমাণ গুৰু চৰিততো পোৱা যায়। শংকৰদেৱৰ আগত শৰণ লোৱাৰ আগলৈকে মাধবদেৱেও বলি বিধানেৰে কৰা শক্তি পূজাত একান্ত বিশ্বাসী আছিল। কথা গুৰু চৰিততে পোৱা যায় শংকৰদেৱে শক্তি পূজা নকৰাৰ বাবে তেওঁৰ বিৰুদ্ধে কিছুমান লোকে মহাৰাজ নৰনাৰায়ণৰ ওচৰত গোচৰ দিছিল।"*[৪৮]

উক্ত কথাবোৰৰ পৰা এয়ে ক'ব পাৰি যে শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা আগলৈকে অসমত শাক্ত ধৰ্ম প্ৰচলিত আছিল। *"বাণীকান্ত কাকতিয়ে দেৱী পূজা, বামাচাৰী পূজা, কৌলচাৰ, কৈৰাত ধৰ্ম আৰু কৈৰাতিক অনুষ্ঠান আদিৰ বিষয়ে আলোচনা কৰি অসমত শাক্ত ধৰ্মৰ প্ৰাধান্যকে দেখুৱাইছে।"*[৪৯] গতিকে ক'ব পাৰি যে প্ৰাচীন কালৰ পৰাই কোচ-ৰাজবংশী লোকসকলৰ সমাজত শক্তি পূজাৰ বিভিন্ন ৰূপ যেনে- দূৰ্গা, কালী, মহামায়া, কেঁচাইখাতী, ঠাকুৰাণী, কামাখ্যা দেৱীৰ পূজাৰ প্ৰচলন হৈ আহিছে। অম্বুবাচীৰ সময়ত তথা কামাখ্যা দেৱী ৰাজস্বলা হোৱাৰ সময়ত শুদ্ধি নোহোৱা লৈকে চাৰিদিন বিভিন্ন নিয়ম যেনে- মাটি খুন্দা, হাল বোৱা, চাকি-বন্তি জ্বলোৱা, শুভ অনুষ্ঠান পতা আদিৰ পৰা বিৰত থাকে। এয়া বিশেষকৈ কোচ-ৰাজবংশী লোকসমাজতহে দেখিবলৈ পোৱা যায়।

*" ভাস্কৰ বৰ্মাৰ (৭ম শতিকা) সময়ৰ পৰা আৰম্ভ কৰি উত্তৰ পূৰ্বাঞ্চলৰ লোকসমাজ আৰ্যীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সুকীয়া দেশক সংস্কৃতি বৰ্জন কৰি আৰ্য সংস্কৃতিক আদিৰ লৈছিল। মংগোলীয় জনজাতিৰ মাজত এনে পৰিৱৰ্তন সমাজ বুৰঞ্জীত মন কৰিবলগীয়া বিষয়। কোচ-ৰাজত্ব সময়ত শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত 'একশৰণ হৰি নাম' ধৰ্মৰ প্ৰভাৱত মংগোলীয় জনগোষ্ঠীৰ কোচ, কছাৰী, ৰাভা আৰু জনজাতীয় সমাজ শংকৰী ধৰ্মত শৰণ লয়। ব্ৰহ্মপুত্ৰ উপত্যকাত মংগোলীয় জনগোষ্ঠীৰ লোকসকল শৰণীয়া বুলি চিহ্নিত হয়। আনহাতে উত্তৰবংগ আৰু অবিভক্ত গোৱালপাৰাৰ জনজাতীয় লোকসকলৰ লগত অধিক সংখ্যক কোচ-ৰাজবংশী লোকে শংকৰী ধৰ্মীয় আদৰ্শত প্ৰতিষ্ঠিত সত্ৰানুষ্ঠান সমূহৰ সত্ৰাধিকাৰ সকলৰ ওচৰত শৰণ লয়।"*[৫০] এইখিনিতে মনকৰিবলগীয়া দিশ হ'ল বৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত আমি দুটা পন্থা দেখিবলৈ পাওঁ- এক হৈছে শংকৰী বা নৱবৈষ্ণৱ ধৰ্ম, যাৰ উপাস্য দেৱতা হ'ল শ্ৰীকৃষ্ণ বা নাৰায়ণ আৰু আন এক হৈছে চৈতন্যপন্থী বৈষ্ণৱ ধৰ্ম; যাৰ ইষ্ট দেৱতা হ'ল ৰাধা গোবিন্দ অৰ্থাৎ ৰাধা-কৃষ্ণ। চৈতন্যপন্থী লোকসকল কণ্ঠত তুলসীৰ মালা পিন্ধে আৰু তুলসী গছৰে ১০৮ টা গুটিৰে তৈয়াৰী মালা জপ কৰে। ২৪ ঘন্টাত ১ লাখ বাৰ জপ মাতিব লাগে বুলি এওঁলোকে বিশ্বাস কৰে। এইখিনিতে উল্লেখযোগ্য যে বৈষ্ণৱপন্থী কোচ-ৰাজবংশী লোকসকলৰ কিছুমান সাংসাৰিক আৰু আন কিছুমানে সংসাৰৰ মায়া মোহ সকলো ত্যাগ কৰি সন্ন্যাসী ৰূপত বৃন্দাবনত গৈ তাতে ইষ্ট দেৱতাৰ পূজা অৰ্চনা কৰে। সন্ন্যাসী ৰূপত থকা

ব্যক্তিসকলক 'দশম সংস্কাৰ' আৰু সাংসাৰিক ব্যক্তিসকলক 'পঞ্চম সংস্কাৰ' হোৱা বুলি কোৱা হয়। বৈষ্ণৱপন্থী কোচ-ৰাজবংশী লোকসকলে ইষ্ট দেৱতাক ভোগ আগ বঢ়াইহে নিজে আহাৰ গ্ৰহণ কৰে আৰু সম্পূৰ্ণৰূপে নিৰামিষভোজী। চৈতন্যপন্থী কোচ-ৰাজবংশী লোকসকলে বেছিভাগ উৎসৱ অনুষ্ঠান, পূজা-পাতল আদি পালন কৰা দেখা যায়। আনহ'তে, মহাপুৰুষীয়া কোচ-ৰাজবংশীলোকসকলে পূজা পাতল আদি বেছি পালন কৰা দেখা নাযায়।

অনুকূল তথা জয়গুৰুধৰ্মী কোচ-ৰাজবংশী সকলৰ উপাস্য দেৱতা হ'ল অনুকূল চন্দ্ৰ। এনে লোকসকলে ৰাতিপুৱা উঠিয়ে গুৰুক ইষ্টভৃতি দিহে প্ৰাৰ্থনা কৰে। এনে ধৰ্মত সাধাৰণতে গুৰুৰ পৰা দীক্ষা ল'লে কেৱল শুক্ৰবাৰে মাছ-মাংস আদি আমিষ আহাৰ গ্ৰহণ নকৰে। অন্য বাৰত গ্ৰহণ কৰে। কিন্তু যিসকল স্বস্তিনী হয় তেওঁলোকে আমিষ আহাৰ সম্পূৰ্ণৰূপে ত্যাগ কৰি সাত্বিক আহাৰ গ্ৰহণ কৰে। জয়গুৰু ধৰ্ম গ্ৰহণ কৰা কোচ-ৰাজবংশী লোকসকলে পূৰ্বপুৰুষৰ পৰা চলি অহা শাক্তধৰ্মী পূজা পাতল বিলাক পালন নকৰে। তেওঁলোকে দেওঘৰৰ পৰা পোৱা নিৰ্দেশমতে নীতি নিয়মবিলাক পালন কৰে।

ইয়াৰ উপৰি, খ্ৰীষ্টান ধৰ্মী কোচ-ৰাজবংশী লোকসকলে শৈৱ অথবা শাক্ত ধৰ্মী যিবিলাক পূজা পাতল সেইবিলাক পালন কৰাৰ পৰা বিৰত থাকে। তেওঁলোক গীৰ্জাত গৈ প্ৰাৰ্থনা কৰে।

কোচ-ৰাজবংশী লোকসমাজত ধৰ্মৰ ক্ষেত্ৰত কিছু বিচিত্ৰতা পৰিলক্ষিত হয়। এনে বৈচিত্ৰতাৰ ফলত ধৰ্মৰ সৈতে জড়িত লোকাচাৰসমূহ পালনৰ ক্ষেত্ৰতো কিছু তাৰতম্য দেখিবলৈ পোৱা যায়।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰাচীন কালৰেপৰা বছৰৰ বিভিন্ন সময়ত বিভিন্ন পূজা-পাতল, উৎসৱ-পাৰ্ৱণ আদিৰ প্ৰচলন হৈ আহিছে। ইয়াৰে কিছুমান পূজা নাৰীকেন্দ্ৰিক য'ত কেৱল নাৰীৰ আংশ গ্ৰহণেৰেহে পূজাৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি পালন কৰা হয়। যেনে- কাতিকা পূজা, হুদুম পূজা আদি। এনে পূজাৰ এটা বিশিষ্ট অংগ হৈছে ইয়াৰ গীত পদসমূহ, যিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কোচ-ৰাজবংশী লোকসকলে কৃষি কাৰ্যৰ লগত আৰু উৎসৱ-পাৰ্ৱণো পালন কৰি আহিছে। যেনে- কাচাইখাতী পূজা, গাৰ্জা পূজা, বাঁশ পূজা, 'কাতি গাছা', 'আগ আনা', ন খোৱা, পুষুণা বা দোমাসী, বিষুৱা,

অম্বুবাচী আদি। এই অধ্যায়টোৰ আলোচনাৰ অন্তত ক'ব পাৰি যে কোচ-ৰাজবংশী লোকসকল আদিৰে পৰা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। সেয়ে প্ৰকৃতিৰ বিভিন্ন উপাদানক শক্তিৰূপে পূজা-অৰ্চনা কৰি আহিছে। উদাহৰণস্বৰূপে সোণাৰায় পূজা, মাৰৈ / বিষহৰি পূজা কথা উল্লেখকৰিব পাৰি। ধৰ্মৰ ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসকলেৰ মাজত পূৰ্বৰ শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰচলন আজিও অব্যাহত আছে। ৰাজাঠাকুৰ, পাগলবাবা, ভৈৰৱ পূজা, বুঢ়া বাবা আদি ৰূপত শিৱ দেৱতাৰ উপাসনা আৰু কাচাইখাতী, ভগৱতী, কামাখ্যা, দুৰ্গা, মহামায়া, বাগেশ্বৰী, ঠাকুৰাণী আদি ৰূপত শক্তি দেৱীৰ আৰাধনা কৰা দেখা যায়। তাৰোপৰি কোচ-ৰাজবংশী জনগোষ্ঠীৰ কিছু সংখ্যক লোকে পৰৱৰ্তী সময়ত বৈষ্ণৱ ধৰ্ম, অনুকুল তথা জয়গুৰু, খ্ৰীষ্টান আদি ধৰ্মও গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

*****

## প্ৰসংগটীকা ঃ


১) দ্বিজেন্দ্ৰ নাথ ভকত ঃ *অসমৰ কোচ-ৰাজবংশী জনজাতি*, পৃঃ ৮৫

২) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৮৬

৩) দ্বিজেন নাথ ঃ *গোৱালপৰীয়া লোকসংস্কৃতি*, পৃঃ ৩১৬

৪) লাবণ্য ভকত ঃ *ৰাজবংশী সংস্কৃতিত নাৰী*, পৃঃ ৬১

৫) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৬১-৬২

৬) যামিনী কুমাৰ বৰুৱা ঃ *গোৱালপৰীয়া কলাকৃষ্টি সংস্কৃতি*, পৃঃ ৪

৭) গিৰিজা শংকৰ ৰায় ঃ *উত্তৰবঙ্গেৰ ৰাজবংশী জাতিৰ পূজা-পাৰ্বণ*, পৃঃ ১৩৪

৮) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১৩৩

৯) বীৰেন্দ্ৰ নাথ দত্ত ঃ *গোৱালপৰীয়া লোকগীত*, পৃঃ ৮২

১০) দীপা তামুলী ঃ *গোৱালপৰীয়া লোকসংস্কৃতিত প্ৰকৃতি*, পৃঃ ৩৯

১১) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ৪০

১২) অলকেশ চন্দ্ৰ ৰায় ঃ *ৰাজবংশীৰ বসন্ত উৎসব*, পৃঃ ৬২

১৩) তথ্যদাতা ঃ শৰৎ ৰায়, পুৰুষ, ৪৩ বছৰ, বিজুলীবাৰী, কোকৰাঝাৰ।

১৪) তথ্যদাতা ঃ পূৰ্ব্বোক্ত ব্যক্তি

১৫) তথ্যদাতা ঃ সুনীল ৰায়, পুৰুষ, ৬৫ বছৰ, ফুটকিবাৰী, কোকৰাঝাৰ।

১৬) তথ্যদাতা ঃ পূৰ্ব্বোক্ত ব্যক্তি

১৭) তথ্যদাতা ঃ পূৰ্ব্বোক্ত ব্যক্তি

১৮) তথ্যদাতা ঃ বুদ্ধেশ্বৰ ৰায়, পুৰুষ, ৫৫ বছৰ, চন্দ্ৰপাৰা, কোকৰাঝাৰ।

১৯) উমেশ দাস (মুখ্য সম্পা.) দেৱজ্যোতি শৰ্মা (সম্পা.) ঃ *পশ্চিম অসমৰ লোকসংস্কৃতি*, পৃঃ ১৬৩-১৬৪

২০) সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্য সমীক্ষাত্মক ইতিবৃত্ত*, পৃঃ ১০১-১০২

২১) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ১০১

২২) উৎপল সিংহ ঃ *কোচ-ৰাজবংশী লোকসংস্কৃতিত এভূমুকি*, পৃঃ ৯৩

২৩) দীপা তামুলী ঃ *গোৱালপৰীয়া লোকসংস্কৃতিত প্ৰকৃতি*, পৃঃ ২৮

২৪) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ২৯

২৫) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ ২৯

২৬) হেমচন্দ্ৰ ৰায় (সম্পা.) ভূপেন ৰায় ঃ *পহলান*, স্মৃতিগ্ৰন্থ, পৃঃ ১৮

২৭) গীতা সৰকাৰ (সম্পা.) হেমলতা কাকতি ঃ *ধুবুৰী*, স্মৃতিগ্ৰন্থ, পৃঃ ১৫৮

| | | | |
|---|---|---|---|
| ২৮) | তথ্যদাতা | ঃ | সনৎ কুমাৰ ৰায়, পুৰুষ, ৫৮ বছৰ, গোসাঁইগাঁও, কোকৰাঝাৰ। |
| ২৯) | লাৱণ্য ভকত | ঃ | *ৰাজবংশী লোকসংস্কৃতি*, পৃ ঃ ১৬ |
| ৩০) | তথ্যদাতা | ঃ | কষ্টেশ্বৰী বৰ্মন, মহিলা, ৬৫ বছৰ, পুঠিয়াগুৰী, কোকৰাঝাৰ। |
| ৩১) | দেবজিৎ ৰায় (সম্পা.) | ঃ | *উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় উৎসব অনুষ্ঠান*,পৃঃ ২৫৩ |
| ৩২) | তথ্যদাতা | ঃ | ৰহিলা বালা ৰায়, মহিলা, ৬৭ বছৰ, বালাগাঁও, কোকৰাঝাৰ। |
| ৩৩) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৩৪) | তথ্যদাতা | ঃ | নৃপেন ৰায়, পুৰুষ, ৫৮ বছৰ, কাকৰমাৰী, কোকৰাঝাৰ। |
| ৩৫) | তথ্যদাতা | ঃ | শুকেন ৰায়, মহিলা, ৬৬ বছৰ, ডিমলগাঁও, কোকৰাঝাৰ। |
| ৩৬) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৩৭) | অলকেশ চন্দ্ৰ ৰায় (সম্পা.) | ঃ | *ৰাজবংশীৰ বসন্ত উৎসৱ*, পৃঃ ১৯ |
| ৩৮) | লাৱণ্য ভকত | ঃ | *ৰাজবংশী লোকসংস্কৃতি*, পৃঃ ৭৩ |
| ৩৯) | তথ্যদাতা | ঃ | সনাতন বৰ্মন, পুৰুষ, ৬৮ বছৰ., বেণীবাৰী, কোকৰাঝাৰ। |
| ৪০) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৪১) | নাৰায়ণ দাস (সম্পা.)<br>পৰমানন্দ ৰাজবংশী | ঃ | *অসমৰ সংস্কৃতি কোষ*, পৃঃ ৬ |
| ৪২) | স্বপ্না হাজৰিকা | ঃ | *বঙাইগাঁও জিলাৰ কোচ-ৰাজবংশী সকলৰ সামাজিক আচাৰ-অনুষ্ঠান এটি অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃঃ ৫০ |
| ৪৩) | তথ্যদাতা | ঃ | পৰেন্দ্ৰ সিংহ, পুৰুষ, ৭০ বছৰ, চুন্দাৰি, চিৰাং। |
| ৪৪) | তথ্যদাতা | ঃ | ক্ষীতিশ ৰায়, পুৰুষ, ৫৫ বছৰ, চৌটাকী, কোকৰাঝাৰ। |
| ৪৫) | তথ্যদাতা | ঃ | ধৰ্মেশ্বৰী সিংহ, মহিলা, ৫৮ বছৰ, কাঠলগুৰী, চিৰাং। |
| ৪৬) | অঞ্জন শৰ্মা (অনু.) | ঃ | *প্ৰাচীন কামৰূপৰ ইতিহাস*, পৃঃ ৫৩ |
| ৪৭) | বিমল মজুমদাৰ | ঃ | *পুৰাণৰ পৰিচয়*, পৃঃ ৩৪ |
| ৪৮) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ৩৪ |
| ৪৯) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ৩৪ |
| ৫০) | দ্বিজেন্দ্ৰ নাথ ভকত | ঃ | *অসমৰ কোচ-ৰাজবংশী জনজাতি*, পৃঃ ৮৩ |